# আবাসীসকলৰ বাবে আধাৰৰ হাতপুথি

সূচীপত্ৰ

1 পৰিচয় ... 4
1.1 আধাৰ কি? ... 4
1.2 আধাৰ কোনে পাব পাৰে? ... 4
1.2.1 ভাৰতৰ জনসাধাৰণৰ বাবে আধাৰ ... 5
1.2.2 প্ৰবাসী ভাৰতীয় সকলৰ বাবে আধাৰ ... 5
1.3 আধাৰৰ বৈশিষ্টসমূহ ... 5
1.3.1 পৰিচায়ক হিচাপে আধাৰ ... 5
1.3.2 পৰিচয়ৰ তথ্য হিচাপে আধাৰ, ইয়াতকৈ আন একো নহয় ... 5
1.4 আধাৰৰ ব্যৱহাৰ ... 5
2 আধাৰৰ বাবে কিদৰে পঞ্জীভুক্ত হ'ব পাৰি? ... 5
2.1 পঞ্জীকৰণ প্ৰক্ৰিয়া ... 5
2.2 আধাৰ পঞ্জীয়নৰ বাবে মনত ৰাখিবলগীয়া বিষয়সমূহ ... 8
2.3 আধাৰ পঞ্জীয়ন কেন্দ্ৰ ... 8
2.3.1 আপোনাৰ নিকটৱৰ্তী আধাৰ কেন্দ্ৰ সন্ধান কৰক ... 9
2.3.2 পঞ্জীয়ন কেন্দ্ৰৰ প্ৰকাৰ ... 9
2.4 অনলাইন সাক্ষাৎকাৰ সেৱা ... 9
2.4.1 আধাৰ সেৱাৰ বাবে সাক্ষাৎকাৰ: ... 9
2.4.2 অনলাইন সাক্ষাৎকাৰ কিদৰে বুক কৰিব ... 10
2.5 আধাৰ প্ৰস্তুতি স্থিতি ... 10
2.5.1 যদি ইআইডি হেৰাই যায় তেন্তে কি কৰিব? ... 10
3 আধাৰ উন্নীতকৰণ ... 11
3.1 উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় নথিপত্ৰসমূহ: ... 11
3.2 অনলাইন ঠিকনা উন্নীতকৰণৰ সুবিধা ... 11
3.2.1 নথিপত্ৰৰ সৈতে ঠিকনাৰ অনলাইন উন্নীতকৰণ: ... 11
3.2.2 নথিপত্ৰ অবিহনে ঠিকনাৰ উন্নীতকৰণ ... 12
3.3 শিশুৰ বাবে বাধ্যতামমূলক বায়'মেট্ৰিক উন্নীতকৰণ ... 12

3.4 আধাৰ ঠিকনাত ‘মাৰফৎ’ৰ উন্নীতকৰণ ..... 12
3.5 উন্নীতকৰণৰ সংখ্যাৰ সীমা ..... 12
3.6 আধাৰ উন্নীতকৰণৰ ব্যতিক্ৰমী প্ৰক্ৰিয়াসমূহ ..... 13
3.7 আধাৰ বাতিলকৰণৰ ক্ষেত্ৰত উন্নীতকৰণ ..... 13
3.8 উন্নীতকৰণৰ স্থিতি পৰীক্ষণ ..... 13
3.9 আধাৰ উন্নীতকৰণৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথাসমূহ ..... 14
4 আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ নথিপত্ৰৰ বৈধ তালিকা ..... 14
5 আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ বাবে মাচুল ..... 15
5.1 আধাৰ পঞ্জীয়ন/উন্নীতকৰণ আবেদনৰ বাবে কোনো মাচুল নালাগে ..... 15
5.2 কেন্দ্ৰই আপোনাৰ পৰা অত্যাধিক মাচুল আদায় কৰিলে কিদৰে অভিযোগ দাখিল কৰিব ..... 15
6 আধাৰ লাভ ..... 16
6.1 আধাৰ প্ৰস্তুতি ..... 16
6.2 আধাৰ পত্ৰ ..... 16
6.3 আধাৰ ডাউনলোড ..... 16
6.3.1 আধাৰ ডাউনলোড কৰিবলৈ অ’টিপি আৰু পাছৱৰ্ড ..... 16
6.3.2 ইআধাৰত ডিজিটেল স্বাক্ষৰৰ বৈধতাকৰণ ..... 16
6.3.3 ডাউনলোড কৰা আধাৰ আইনীভাবে বৈধ ..... 16
6.4 এমআধাৰ ম’বাইল এপ ..... 17
6.5 আধাৰৰ পুনৰ ছপা ..... 17
7 আধাৰৰ বৈধতাকৰণ ..... 17
7.1 যিকোনো আধাৰৰ অনলাইনযোগে বৈধতাকৰণ ..... 17
7.2 আধাৰত সুৰক্ষিত কিউআৰ কোড ..... 18
8 আধাৰ অনলাইন সেৱাসমূহ ..... 18
8.1 আধাৰৰ অনলাইন সেৱাসমূহ (য’ত পঞ্জীকৃত ম’বাইল নম্বৰৰ প্ৰয়োজন নাই) ..... 18
8.2 আধাৰৰ অনলাইন সেৱাসমূহ (য’ত পঞ্জীকৃত ম’বাইল নম্বৰৰ প্ৰয়োজন হয়) ..... 18
8.3 সঘনাই সোধা প্ৰশ্নসমূহ ..... 19
9 আপোনাৰ আধাৰ তথ্যৰ গোপনীয়তা আৰু সুৰক্ষা ..... 19
9.1 ইউআইডিএআইয়ে গোপনীয়তা আৰু তথ্যৰ সুৰক্ষা প্ৰদান কৰে ..... 19
9.2 চিআইডিআৰত ডাটা সুৰক্ষা ..... 19

9.3 আপোনাৰ  আধাৰ তথ্য কিদৰে সুৰক্ষিত কৰিব পাৰে ........ 20
10 অভিযোগ ব্যৱস্থাপনা ........ 21
10.1 আধাৰ সম্পৰ্ক কেন্দ্ৰ - হেল্পলাইন ১৯৪৭ ........ 21
10.2 ইমেইলৰ জৰিয়তে সহায় ........ 21
10.3 আধাৰ ৱেবছাইট ........ 21
10.4 আধাৰ চাটবট ........ 22
10.5 ছ'চিয়েল মিডিয়া ........ 22
10.5.1 চৰকাৰী ছ'চিয়েল মিডিয়া প্ৰ'ফাইল: ........ 22
10.5.2 নকল প্ৰ'ফাইল/ব্যৱহাৰকাৰীৰ একাউণ্টৰ পৰা সাৱধান ........ 23
10.6 আধাৰৰ আঞ্চলিক কাৰ্যালয় ........ 23
11 আধাৰ আইন ২০১৬ ........ 24
12 আধাৰ (পঞ্জীয়ন আৰু উন্নীতকৰণ) নিয়ামক, ২০১৬ ........ 25
12.1 অধ্যায় ২ – আবাসীৰ পঞ্জীয়ন প্ৰক্ৰিয়া ........ 25
12.2 অধ্যায় ৪ – আবাসীৰ তথ্যৰ উন্নীতকৰণ ........ 26
12.3 অধ্যায় ৬ – আধাৰ নম্বৰ আৰু পৰিচয় তথ্যৰ বিলুপ্তি অথবা নিষ্ক্ৰিয়কৰণ ........ 26
13 পৰিশিষ্ট ........ 28
13.1 পৰিশিষ্ট ১ – বৈধ সমৰ্থিত নথিপত্ৰৰ তালিকা ........ 28
13.2 পৰিশিষ্ট ২ – আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ স্বীকৃতিপত্ৰৰ বিন্যাস ........ 28
13.3 পৰিশিষ্ট ৩ – পঞ্জীয়ন আবেদন ........ 28
13.4 আধাৰৰ টিউটৰিয়েল ভিডিঅ' ........ 28
13.5 আধাৰৰ অনলাইন সেৱাসমূহ ........ 28
13.6 ছ'চিয়েল মিডিয়াত আধাৰ ........ 28

# 1 পৰিচয়

মাননীয় আৱাসী,
আধাৰৰ পৰিয়াললৈ স্বাগতম!

আধাৰৰ এই হাতপুথিখন আপোনাক আধাৰৰ বিষয়ে নিৰ্দেশনা প্ৰদান কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে৷ আমি আপোনাক এই হাতপুথিখন অধ্যয়ন কৰিবলৈ আৰু আধাৰৰ উদ্দেশ্য অনুধাৱন কৰিবলৈ আহ্বান জনালো৷৷

এই হাতপুথিখনে আপোনাক আধাৰৰ বিষয়ে জনাত সহায় কৰিব৷ আপোনাৰ সকলো ধৰণৰ প্ৰশ্ন-কিদৰে আধাৰ লাভ কৰিবৰ পৰা আৰম্ভ কৰি আধাৰৰ সবিশেষ কিদৰে উন্নীতকৰণ কৰিব, এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ এই হাতপুথিখনত লাভ কৰিব৷ তাৰোপৰি আপুনি আধাৰৰ প্ৰক্ৰিয়াকৰণ তথা সেৱা সম্বন্ধীয় সকলো বিৱৰণো ইয়াত লাভ কৰিব৷ প্ৰতিটো অংশৰ সৈতে আপুনি কিআৰ কোডো লাভ কৰিব৷ আপুনি প্ৰাসংগিক কিউআৰ কোডটো যিকোনো স্মাৰ্ট ফোনৰ কিউআৰ কোড স্কেনাৰ এপৰ দ্বাৰা স্কেন কৰি সংশ্লিষ্ট ৱেব পৃষ্ঠাটো চাব পাৰিব অথবা উল্লিখিত বিষয়ৰ ভিডিঅ’ টিউটৰিয়েলটো চাব পাৰিব৷

আধাৰৰ জগতখনত এভুমুকি মাৰি ইয়াৰ সম্বন্ধীয় সেৱাসমূহৰ বিষয়ে আৰু ১২টা অংকৰ এই বিশিষ্ট সংখ্যাটোৱে আপোনাক কি ক্ষমতা প্ৰদান কৰিব পাৰে জানো আহক৷

## 1.1 আধাৰ কি?

আধাৰ হ’ল ভাৰতৰ জনসাধাৰণক প্ৰাধিকৰণে বৈধতাকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছত (অংশ ২ত বৰ্ণনা কৰা হৈছে) ভাৰতীয় বিশিষ্ট পৰিচয় প্ৰাধিকৰণে (ইউআইডিএআই) প্ৰদান কৰা এক ১২টা অংক বিশিষ্ট এক সংখ্যা৷৷

## 1.2 আধাৰ কোনে পাব পাৰে?

বয়স আৰু লিংগ সাপেক্ষে ভাৰতত বাস কৰা যিকোনো ব্যক্তি অথবা প্ৰবাসী ভাৰতীয়, তেওঁলোকেও আধাৰ নম্বৰ পাবলৈ পঞ্জীভুক্ত হ’ব পাৰে৷ এজন ব্যক্তিৰ বাবে কেৱল এটা আধাৰ নম্বৰহে প্ৰস্তুত হয় আৰু এই বিশিষ্টতা ডেম’গ্ৰাফিক আৰু বায়’মেট্ৰিক ডি-ডুপ্লিকেচনৰ দ্বাৰা লাভ হয়৷
বক্স বাৰ্তাঃ আপোনাৰ আধাৰ নম্বৰ এবাৰ প্ৰস্তুত হোৱাৰ পিছত এয়া চিৰকাললৈ আপোনাৰ সৈতে থাকি যাব৷ ইয়াক অন্য ব্যক্তিলৈ প্ৰদান কৰা নহয়৷

### 1.2.1 ভাৰতৰ জনসাধাৰণৰ বাবে আধাৰ

আপুনি যদিহে ভাৰতীয় আৱাসী তেতিয়াহে আধাৰৰ পঞ্জীয়নৰ বাবে আপুনি যোগ্য৷ অৰ্থাৎ আপুনি ভাৰতত এশ বিৰাশী (১৮২) দিনৰ সময়ৰ বাবে অথবা আধাৰ পঞ্জীয়নৰ বাবে আবেদনৰ তাৰিখৰ ঠিক পূৰ্বে বাৰ মাহতকৈও অধিক সময়ৰ বাবে বাস কৰিব লাগিব৷

### 1.2.2 প্ৰবাসী ভাৰতীয় সকলৰ বাবে আধাৰ

যদিহে আপুনি এজন প্ৰবাসী ভাৰতীয় আৰু আপোনাৰ হাতত ভাৰতীয় পাৰপত্ৰ আছে তেন্তে আপুনি আধাৰত পঞ্জীয়ন কৰাব পাৰে৷ এশ বিৰাশী দিনৰ বাধ্যতামূলক নিবাস প্ৰবাসী ভাৰতীয়সকলৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়৷ আপুনি আধাৰ কেন্দ্ৰলৈ গৈ প্ৰবাসী ভাৰতীয় হিচাপে আধাৰত পঞ্জীভুক্ত হ'ব পাৰে৷ প্ৰবাসী ভাৰতীয়সকলৰ পৰিচয়ৰ প্ৰমাণৰ বাবে ভাৰতীয় পাৰপত্ৰ বাধ্যতামূলক৷ আবেদনকাৰীয়ে ঠিকনাৰ প্ৰমাণ পত্ৰৰ বাবে ইউআইডিএআইয়ে গ্ৰহণ কৰা যিকোনো নথিপত্ৰ বাচনি কৰিব পাৰে (এই হাতপুথিখনৰ অংশ ১৩.১ৰ পৰিশিষ্ট-১ চাওক)৷

বক্স বাৰ্তাঃ প্ৰবাসী ভাৰতীয়সকলৰ আধাৰ পঞ্জীয়নত পৰিচয়ৰ প্ৰমাণ পত্ৰৰ বাবে ভাৰতীয় পাৰপত্ৰ বাধ্যতামূলক৷

## 1.3 আধাৰৰ বৈশিষ্টসমূহ

### 1.3.1 পৰিচায়ক হিচাপে আধাৰ

আধাৰ হ'ল ১২টা অংকৰ এক বিশিষ্ট আইডি৷ আবাসী এজনক চিনাক্ত কৰিবলৈ আধাৰত ডেম'গ্ৰাফিক তথ্য (নাম, জন্মৰ তাৰিখ, লিংগ আৰু ঠিকনা), মুখমণ্ডলৰ আলোকচিত্ৰ, আঙুলিৰ চাপ আৰু মণিবলয় ব্যৱহাৰ কৰা হয়৷ এই তথ্যসমূহ বাধ্যতামূলক৷ তাৰোপৰি আপুনি বৈকল্পিকভাৱে আপোনাৰ ম'বাইল নম্বৰ আৰু ইমেইলো প্ৰদান কৰিব পাৰে৷ আমি আপোনাক এই আটাইবোৰ তথ্য যোগান ধৰিবলৈ আহ্বান জনাইছো৷

### 1.3.2 পৰিচয়ৰ তথ্য হিচাপে আধাৰ, ইয়াতকৈ আন একো নহয়

আধাৰ হ'ল পৰিচয়ৰ প্ৰমাণ পত্ৰ৷ ই আধাৰ নম্বৰৰ গৰাকীক নাগৰিকত্ব প্ৰদান নকৰে৷ আপোনাৰ আধাৰ নম্বৰটো বুদ্ধিমত্তাৰ দ্বাৰা প্ৰস্তুত হোৱা এক যাদৃচ্ছিক সংখ্যা আৰু ইয়াক কোনো জাতি, ধৰ্ম, উপাৰ্জন, স্বাস্থ্য আৰু ভৌগোলিকতাভিত্তিত ব্যৱহাৰ কৰা নহয়৷

## 1.4 আধাৰৰ ব্যৱহাৰ

আধাৰ নম্বৰে সমগ্ৰ দেশতে আবাসীসকলৰ বাবে অফলাইন/অনলাইনৰ এক বিশিষ্ট পৰিচয় বৈধতাকৰণৰ সুবিধা প্ৰদান কৰে৷ এবাৰ আপুনি পঞ্জীভুক্ত হোৱাৰ পিছত এই আধাৰ নম্বৰক আপুনি নিজৰ পৰিচয় সিদ্ধ কৰাৰ বাবে যিমান ইচ্ছা সিমানেই বৈদ্যুতিন বা অফলাইন বৈধতাকৰণৰ জৰিয়তে ব্যৱহাৰ কৰিব পাৰে৷ কোনো ধৰণৰ সেৱা, লাভ আদি লাভ কৰিবলৈ আপুনি পৰিচয়ৰ তথ্য লৈ ফুৰাৰ প্ৰয়োজন নাই৷

বক্স বাৰ্তাঃ আধাৰে এজন ব্যক্তিক পৰিচয়ৰ প্ৰমাণ প্ৰদান কৰে যাক যিকোনো সময়ত, যিকোনো স্থানত আধাৰ বৈধতাকৰণ অনলাইনৰ জৰিয়তে বৈধতাকৰণ কৰিব পাৰি৷

# 2 আধাৰৰ বাবে কিদৰে পঞ্জীভুক্ত হ'ব পাৰি?

আধাৰ পাবলৈ আপুনি পঞ্জীয়নৰ সময়ছোৱাত আপোনাৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য প্ৰদান কৰিব লাগিব যি সম্পূৰ্ণ বিনামূলীয়া৷ অনুগ্ৰহ কৰি মন কৰিব যে আপুনি এবাৰহে আধাৰত পঞ্জীভুক্ত হোৱাটো প্ৰয়োজন৷

## 2.1 পঞ্জীকৰণ প্ৰক্ৰিয়া

আপুনি ভাৰতৰ বাসিন্দা অথবা প্ৰবাসী ভাৰতীয় যিয়েই নহওক কিয়, আধাৰ নম্বৰ পাবলৈ নিম্নোক্ত প্ৰক্ৰিয়াকেইটা পূৰণ কৰিবই লাগিবঃ

- আধাৰ পঞ্জীয়ন কেন্দ্ৰৰ পৰিদৰ্শন
- আধাৰ পঞ্জীয়ন পত্ৰৰ পূৰণ
- ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য প্ৰদান

- অপাৰেটৰে স্কেন কৰিবলৈ বৈধ পৰিচয়ৰ প্ৰমাণ পত্ৰ (পিঅ'আই) আৰু ঠিকনাৰ প্ৰমাণ (পিঅ'এ) আৰু জন্মৰ তাৰিখৰ প্ৰমাণ (ডিঅ'বি) প্ৰদান
- ইআইডি (পঞ্জীয়ন আইডি) থকা প্ৰাপ্তিস্বীকাৰ পত্ৰৰ সৈতে নিজৰ প্ৰকৃত তথ্য সংগ্ৰহ কৰক

যদি কোনো আবাসীয়ে ঘৰৰ মুৰব্বীৰ অধীনত পঞ্জীয়ন হয় (অংশ ২.১.১২) চাওক, তেন্তে তেওঁ কেৱল সম্বন্ধৰ প্ৰমাণ পত্ৰ (পিঅ'আৰ) দাখিল কৰিলেই হ'ব।

আধাৰ পঞ্জীয়ন আবেদন ডাউনলোড কৰিবলৈঃ
https://uidai.gov.in/images/aadhaar_enrolment_correction_form_version_2.1.pdf
নিকটৱৰ্তী আধাৰ পঞ্জীয়ন কেন্দ্ৰৰ বিৱৰণ পাবলৈঃ
https://appointments.uidai.gov.in/easearch.aspx

বক্স বাৰ্তাঃ আধাৰ কেন্দ্ৰলৈ প্ৰকৃত নথিপত্ৰ লৈ আহক। এইসমূহ স্কেন কৰি পুনৰ আপোনাক উভতাই দিয়া হ'ব। কোনো ফটোকপীৰ প্ৰয়োজন নহয়।
উপৰোক্ত প্ৰক্ৰিয়াসমূহত আবাসীসকলৰ বাবে ব্যতিক্ৰমো উপলব্ধ য'ত তেওঁলোকৰ নাম যেনে পৰিয়ালৰ সদস্যৰ নাম/গৃহহীন/অনাথ আদি হোৱা বাবে প্ৰয়োজন নহয় অথবা যিসকল আবাসীৰ বায়'মেট্ৰিক ব্যতিক্ৰম থাকে য'ত বায়'মেট্ৰিক বিৱৰণ গ্ৰহণ কৰিব নোৱাৰি। তেনে ধৰণৰ প্ৰতিটো ঘটনাই তলত উল্লেখ কৰা হৈছেঃ

### *2.1.1.1 নথিপত্ৰভিত্তিক পঞ্জীয়ন*

ইউআইডিএআইৰ ৱেবছাইটত উপলব্ধ নথিপত্ৰৰ তালিকা অনুসৰি আধাৰ পঞ্জীয়নৰ বাবে আপুনি পৰিচয়ৰ প্ৰমাণ পত্ৰ (পিঅ'আই) আৰু ঠিকনাৰ প্ৰমাণ পত্ৰ (পিঅ'এ) প্ৰদান কৰিব পাৰে। (অংশ ১৩.১, পৰিশিষ্ট ১ চাওক)

- পৰিচয়ৰ প্ৰমাণ পত্ৰ (পিঅ'আই)- বাধ্যতামূলক
- ঠিকনাৰ প্ৰমাণ পত্ৰ (পিঅ'এ)- বাধ্যতামূলক
- জন্মৰ তাৰিখ (ডিঅ'বি)- আপুনি ইউআইডিএআইৰ তালিকা অনুসৰি জন্মৰ তাৰিখৰ নথিপত্ৰ প্ৰদান কৰিব লাগিব। যদি আপোনাৰ এই নথিপত্ৰ নাই তেন্তে আপুনি আপোনাৰ আনুমানিক বয়সটো উল্লেখ কৰিব পাৰিব।

যদি আপোনাৰ ওচৰত বৈধ তথ্য আছে তেন্তে আধাৰ পঞ্জীয়নৰ সময়ত সেয়া আপুনি দেখুৱাব লাগিব। যদি আপোনাৰ নামত কোনো নথিপত্ৰ নাই তেন্তে অনুমোদিত বিষয়াৰ দ্বাৰা স্বীকৃত যিকোনো স্বীকৃতিপত্ৰ প্ৰদৰ্শিত কৰিব পাৰে (পৰিশিষ্ট ২ চাওক)। ইউআইডিএআইয়ে এই স্বীকৃতিপত্ৰসমূহৰ বাবে নিৰ্ধাৰিত বিন্যাস প্ৰস্তুত কৰিছে। বৈধতাকৰণৰ বাবে সমৰ্থিত নথিপত্ৰৰ গ্ৰহণযোগ্য তালিকা চাওকঃ
https://uidai.gov.in/images/commdoc/valid_documents_list.pdf

বৈধ সমৰ্থিত নথিপত্ৰৰ তালিকাঃ https://appointments.uidai.gov.in/easearch.aspx
বক্স বাৰ্তাঃ আধাৰ পঞ্জীয়নৰ নথিপত্ৰত আপোনাৰ নাম থকাটো আৱশ্যক।

### *2.1.1.2 পৰিয়ালৰ মুৰব্বীভিত্তীক (এইচঅ'এফ) পঞ্জীয়ন*

কোনো ব্যক্তিৰ যদি ব্যক্তিগত নথিপত্ৰ নাথাকে তেন্তে তেওঁৰ পঞ্জীয়ন পৰিয়ালৰ মুৰব্বীৰ নথিপত্ৰৰ দ্বাৰা নিম্নোক্ত তথ্যসমূহ প্ৰদান কৰি পঞ্জীয়ন কৰিব পাৰিবঃ

- পৰিয়ালৰ মুৰব্বীৰ নাম
- আবাসী আৰু পৰিয়ালৰ মুৰব্বীৰ সৈতে সম্পৰ্কৰ প্ৰমাণ (পিঅ'আৰ)
- পৰিয়ালৰ মুৰব্বীৰ আধাৰ সংখ্যা
- পঞ্জীয়নৰ সময়ত পৰিয়ালৰ মুৰব্বীৰ বায়'মেট্ৰিক নিশ্চিতকৰণ

বক্স বাৰ্তাঃ এইচঅ'এফ পঞ্জীয়নৰ বাবে পৰিয়ালৰ মুৰব্বীয়ে পঞ্জীয়নৰ সময়ত বায়'মেট্ৰিকৰ নিশ্চিতি প্ৰদান কৰিব লাগিব।

### *2.1.1.3 পৰিচায়কভিত্তিক পঞ্জীয়ন*

যদি আপোনাৰ হাতত উপৰোক্ত নথিপত্ৰৰ এটাও নাই তেন্তে আপুনি পৰিচয়ভিত্তিত পঞ্জীয়নৰ অধীনত পঞ্জীয়ন কৰিব পাৰে। এই 'পৰিচায়ক'সকল হ'ল ৰেজিষ্ট্ৰাৰে নিযুক্ত কৰা অনুমোদিত কৰ্মচাৰী। তেওঁলোকঃ

- ৰেজিষ্ট্ৰাৰৰ নিজা কৰ্মচাৰী
- নিৰ্বাচিত স্থানীয় সংস্থাৰ সদস্য
- স্থানীয় প্ৰশাসনীয় সংস্থাৰ সদস্য
- ডাক কৰ্মচাৰী
- প্ৰভাৱশালী ব্যক্তি যেনে শিক্ষক
- স্বাস্থ্য কৰ্মী
- চিকিৎসক
- অংগনৱাড়ী/আশা কৰ্মী
- স্থানীয় এনজিঅ'ৰ প্ৰতিনিধিসকল

পৰিচায়কভিত্তিক পঞ্জীয়নত গ্ৰহণ কৰা তথ্যসমূহঃ

- পৰিচায়কৰ নাম
- পৰিচায়কৰ আধাৰ নম্বৰ
- পৰিচায়কৰ বায়'মেট্ৰিকৰ এটা প্ৰকাৰ

### *2.1.1.4 শিশুৰ পঞ্জীয়ন*

নৱজাতক শিশুকে ধৰি সকলো শিশুৱে আধাৰৰ বাবে পঞ্জীয়ন কৰিব পাৰে। শিশুসকলৰ পঞ্জীয়ন তেওঁলোকৰ বয়স সাপেক্ষে নিম্নোক্ত দুটা ধৰণে সম্পন্ন হ'ব পাৰে।

**৫ বছৰৰ তলৰ শিশুসকলৰ বাবেঃ**

শিশুৰ পঞ্জীয়নৰ বাবে (নৱজাতকৰ পৰা আৰম্ভ কৰি ৫ বছৰৰ তলৰ শিশুসকলৰ বাবে), শিশুটিৰ অভিভাৱকৰ যিকোনো এজনৰ আধাৰ প্ৰমাণীকৰণৰ আৱশ্যক। ৫ বছৰৰ তলৰ শিশুৰ বায়'মেট্ৰিক তথ্যৰ প্ৰয়োজন নাই। শিশুটিৰ নাম, জন্মৰ তাৰিখ, লিংগৰ তথ্য আৰু আলোকচিত্ৰ গ্ৰহণ কৰা হয়। তেওঁলোকৰ আধাৰ অভিভাৱক/পিতৃ-মাতৃৰ সৈতে সংযোজিত হৈ থাকে।

শিশুটিৰ অভিভাৱক/পিতৃ-মাতৃয়ে নিম্নোক্ত নথিপত্ৰৰ সৈতে নিকটৱৰ্তী আধাৰ কেন্দ্ৰলৈ লৈ যোৱা আৱশ্যকঃ

- জন্মৰ ৰেজিষ্ট্ৰাৰ, পৌৰ নিগম অথবা অন্যান্য স্থানীয় সংস্থা যেনে তালুক, তেহচিল ইত্যাদিৰ পৰা জাৰি কৰা শিশুটিৰ জন্মৰ স্বীকৃতিপত্ৰ অথবা শিশুৰ জন্মৰ সময়ত চৰকাৰী চিকিৎসালয়ে জাৰি কৰা মুকলি কাৰ্ড/শ্লিপ
- যিকোনো এজন অভিভাৱকৰ আধাৰ (অথবা পঞ্জীয়ন শ্লিপ), দুয়োগৰাকী অভিভাৱক জীৱিত হ'লে মাকৰ অথবা অভিভাৱকৰ

অনুগ্ৰহ কৰি মন কৰিব যে যদি আপুনি আধাৰত বৰ্তমানৰ ঠিকনা উন্নীতকৰণ কৰিছে আৰু শিশুটিৰ আধাৰত নতুন ঠিকনা অন্তৰ্ভুক্ত কৰিব বিচাৰে তেন্তে শিশুটিৰ আধাৰ পঞ্জীয়নৰ পূৰ্বে আপোনাৰ সবিশেষ উন্নীতকৰণ কৰক। এবাৰ আপোনাৰ আধাৰ উন্নীতকৰণ হোৱাৰ পিছত আপুনি শিশুটিক আধাৰ পঞ্জীয়নলৈ লৈ আহিব পাৰে আৰু ইয়াৰ বাবে আপোনাৰ উন্নীতকৰণ আধাৰখন ব্যৱহাৰ কৰিব পাৰে।

**৫ৰ পৰা ১৮ বছৰৰ শিশুৰ বাবেঃ**

শিশুক পঞ্জীয়ন কৰাবলৈ পিতৃ-মাতৃ/অভিভাৱকে শিশুটিক নিম্নোক্ত নথিপত্ৰৰ সৈতে যিকোনো নিকটৱৰ্তী আধাৰ কেন্দ্ৰলৈ লৈ যাব পাৰেঃ

- **যদি শিশুটিৰ নিজা নথিপত্ৰৰে পঞ্জীয়ন কৰে-** শিশুটিৰ বিদ্যালয়ৰ আইডি ( স্বীকৃতপ্ৰাপ্ত শৈক্ষিক প্ৰতিষ্ঠানে জাৰি কৰা) অথবা ইউআইডিএআইৰ স্বীকৃত আন নথিপত্ৰ।
- **যদি পৰিয়ালৰ মুৰব্বীৰ অধীনত পঞ্জীয়ন হয়-** যদি শিশুটিৰ বিদ্যালয়ৰ বৈধ আইডি অথবা অন্য তালিকাভুক্ত নথিপত্ৰ নাই তেন্তে পিতৃ-মাতৃ/অভিভাৱকে শিশুটিক এইচঅ'এফভিত্তিত পঞ্জীয়ন কৰাৰ পাৰে য'ত সম্বন্ধৰ প্ৰমাণ (পিঅ'আৰ) নথিপত্ৰৰ আৱশ্যক হয়। (২.১.১.২ চাওক)।

টোকাঃ নাবালকৰ আধাৰ পঞ্জীয়নৰ বাবে পিতৃ-মাতৃ/অভিভাৱকে শিশুটিৰ হৈ আধাৰ পঞ্জীয়নৰ বাবে সন্মতি প্ৰদান কৰিব পাৰে।

বক্স বাৰ্তাঃ শিশুৰ বিদ্যালয়ৰ আইডি আধাৰ পঞ্জীয়নত ব্যৱহাৰ কৰিব পাৰি।

#### *2.1.1.5 বায়'মেট্ৰিক ব্যতিক্ৰমৰ সৈতে আবাসীৰ পঞ্জীয়ন*

বায়মেট্ৰিক ব্যতিক্ৰমযুক্ত আবাসী যেনে আঙুলি নোহোৱা/চকু নোহোৱা আদি লোকসকলৰ বাবে নিম্নোক্ত তথ্যসমূহ গ্ৰহণ কৰা হয়ঃ

- সম্পূৰ্ণ ডেমগ্ৰাফিক তথ্য
- যদি দুয়োটা মণিবলয় সম্ভৱ নহয় তেন্তে এটা মণিবলয়
- বাকী থকা আঙুলিকেইটাৰ চাপ
- ব্যতিক্ৰমী আলোকচিত্ৰ

## 2.2 আধাৰ পঞ্জীয়নৰ বাবে মনত ৰাখিবলগীয়া বিষয়সমূহ

- আধাৰৰ তথ্য প্ৰতিজন আবাসীৰ বাবে দুটা ভাষাত সঞ্চিত হয়- ইংৰাজী (ডিফল্ট) আৰু স্থানীয় ভাষা (পঞ্জীয়নৰ সময়ত আবাসীয়ে বাচনি কৰা ভাষা)। আবাসীয়ে হিন্দী, তেলেগু, তামিল, কানাড়া, মালায়লম, পাঞ্জাৱী, মাৰাঠী, গুজৰাটী, বাংলা, উড়িয়া, অসমীয়া আৰু ইংৰাজীৰ মাজৰ পৰা বাচনি কৰিব পাৰে।
- পঞ্জীয়ন পত্ৰত দিয়া আপোনাৰ সবিশেষ সন্মুখত থকা স্ক্ৰীণত দৃশ্যমান হয়। অপাৰেটৰে ইংৰাজী আৰু স্থানীয় ভাষাত অন্তৰ্ভুক্ত কৰা তথ্যসমূহ তেওঁ প্ৰদান কৰাৰ পূৰ্বে আপুনি পৰীক্ষণ আৰু নিশ্চিত কৰাটো প্ৰয়োজন। স্বাক্ষৰ কৰাৰ পূৰ্বে আপুনি প্ৰাপ্তিস্বীকাৰ পত্ৰৰ সবিশেষ পৰীক্ষণ কৰিব পাৰে।
- প্ৰাধিকৰণে পৰামৰ্শ নিদিয়া পৰ্যন্ত আবাসীসকলে কেৱল এবাৰ পঞ্জীয়ন কৰা আৱশ্যক, অধিক সংখ্যক পঞ্জীয়ন বাতিল হ'ব পাৰে।
- আবাসীৰ ডাটা পেকেট লাভ কৰাৰ পিছত আধাৰ প্ৰস্তুতিৰ অপেক্ষাকৃত সময় ৯০ দিন পৰ্যন্ত হ'ব পাৰে।

বক্স বাৰ্তাঃ ইংৰাজী আৰু লগতে স্থানীয় ভাষাত অন্তৰ্ভুক্ত কৰা তথ্যসমূহ সাৱধানে পৰীক্ষণ কৰক আৰু অপাৰেটৰে আধাৰ পঞ্জীয়নৰ বাবে আবেদন জমা কৰাৰ পূৰ্বে ত্ৰুটিসমূহ সংশোধন কৰি লওক।

## 2.3 আধাৰ পঞ্জীয়ন কেন্দ্ৰ

ইউআইডিআইএয়ে সমগ্ৰ দেশতে আধাৰ সেৱা প্ৰদান কৰিবলৈ আধাৰ পঞ্জীয়ন কেন্দ্ৰ স্থাপন কৰিছে। এইসমূহ বেংক, ডাকঘৰ, বিএছএনএল কেন্দ্ৰ, চিএছচি, সংশ্লিষ্ট ৰাজ্য চৰকাৰ কাৰ্যালয় আৰু বিশেষ আধাৰ সেৱা কেন্দ্ৰত উপলব্ধ।

আপুনি আধাৰৰ বাবে যিকোনো আধাৰ পঞ্জীয়ন কেন্দ্ৰত পঞ্জীয়ন কৰাৰ পাৰে। ডেম'গ্ৰাফিক সবিশেষ (নাম, ঠিকনা, জন্মৰ তাৰিখ, লিংগ, ম'বাইল নম্বৰ, ইমেইল) আৰু বায়'মেট্ৰিক (আলোকচিত্ৰ, আঙুলিৰ চাপ অথবা মণিবলয়ৰ স্কেল) আদিৰ উন্নীতকৰণৰ বাবে আপুনি আধাৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব পাৰে আৰু বৈধ সমৰ্থিত নথিপত্ৰ জমা কৰিব পাৰে।

### 2.3.1 আপোনাৰ নিকটৱৰ্তী আধাৰ কেন্দ্ৰ সন্ধান কৰক

আপুনি  নিকটৱৰ্তী যিকোনো আধাৰ কেন্দ্ৰ নিম্নোক্তসমূহৰ পৰা সন্ধান কৰিব পাৰে:

- ১৯৪৭লৈ ফোন কৰি
- আধাৰ ৱেবছাইটৰ পৰা: https://appointments.uidai.gov.in/easearch.aspx
- এমআধাৰ এপৰ পৰা

আধাৰ কেন্দ্ৰ সন্ধান কৰিবলৈ এই টিউটৰিয়েলটো চাওক: https://youtu.be/Iw2qihwxUE0

### 2.3.2 পঞ্জীয়ন কেন্দ্ৰৰ প্ৰকাৰ

আধাৰ পঞ্জীয়ন কেন্দ্ৰসমূহ নিম্নোক্ত দুটা শাখাত সেৱা প্ৰদানৰ বিন্যাস অনুসৰি বিভক্ত কৰিব পাৰি। সেইসমূহ হ'ল:

#### *2.3.2.1 ৰেজিষ্ট্ৰাৰ চালিত আধাৰ কেন্দ্ৰ*

এই আধাৰ কেন্দ্ৰসমূহ বেংক, ডাকঘৰ, বিএছএনএল কেন্দ্ৰ, চিএছচি, সংশ্লিষ্ট ৰাজ্য চৰকাৰ কাৰ্যালয়ত উপলব্ধ। এই সমূহ সংশ্লিষ্ট পঞ্জীয়ন ৰেজিষ্ট্ৰাৰৰ দ্বাৰা পৰিচালিত হয়।

#### *2.3.2.2 ইউআইডিএআই চালিত আধাৰ সেৱা কেন্দ্ৰ*

আধাৰ সেৱা কেন্দ্ৰ অথবা এএছকেসমূহ ইউআইডিএআইৰ দ্বাৰা চালিত বিশেষ আধাৰ কেন্দ্ৰ হয় যিয়ে কোনো এখনৰ ৰাজ্যৰ বাসিন্দাক আধাৰ সেৱা প্ৰদান কৰে।

আধাৰ সেৱা কেন্দ্ৰৰ সবিশেষ জানিবলৈ: https://uidai.gov.in/ecosystem/enrolment-ecosystem/aadhaar-seva-kendra.html

বক্স বাৰ্তাঃ আধাৰ সেৱা কেন্দ্ৰসমূহ ৰাজহুৱা বন্ধ দিনৰ বাবে পুৱা ৯.৩০ বজাৰ পৰা সন্ধিয়া ৫.৩০ বজালৈ সপ্তাহৰ সাতোটা দিনেই খোলা থাকে। প্ৰতিটো এএছকেত প্ৰতিদিনে ২৫০ৰ পৰা ১০০০টা সেৱা অনুৰোধ পৰিচালনা কৰাৰ সামৰ্থ থাকে।

## 2.4 অনলাইন সাক্ষাৎকাৰ সেৱা

ইউআইডিএআইয়ে আধাৰ পঞ্জীয়ন অথবা উন্নীতকৰণৰ বাবে সাক্ষাৎকাৰ বুক কৰিবলৈ অনলাইন সুবিধা প্ৰদান কৰে। আপুনি নিজৰ বাবে অথবা পৰিয়ালৰ সদস্য অথবা বন্ধুৰ বাবে সাক্ষাৎকাৰ বুক কৰিবলৈ অনলাইন সাক্ষাৎকাৰ সেৱা ব্যৱহাৰ কৰিব পাৰে।

### 2.4.1 আধাৰ সেৱাৰ বাবে সাক্ষাৎকাৰ:

নিম্নোক্ত আধাৰ সেৱাসমূহৰ বাবে কোনো আধাৰ সেৱা কেন্দ্ৰ (এএছকে) অথবা তালিকাভুক্ত আধাৰ কেন্দ্ৰৰ ◌াববে সাক্ষাৎকাৰ বুকিঙৰ সুবিধা উপলব্ধ:

- নতুন আধাৰ পঞ্জীয়ন
- নাম পঞ্জীয়ন
- ঠিকনা পঞ্জীয়ন
- জন্মৰ তাৰিখৰ উন্নীতকৰণ
- লিংগৰ তথ্য উন্নীতকৰণ
- বায়'মেট্ৰিক (আলোকচিত্ৰ+আঙুলিৰ চাপ+মণিবলয়) উন্নীতকৰণ
- ম'বাইল নম্বৰৰ উন্নীতকৰণ
- ইমেইল আইডিৰ উন্নীতকৰণ

আপুনি আধাৰ পঞ্জীয়ন/উন্নীতকৰণ আবেদন অনলাইন যোগে পূৰণ কৰি কেন্দ্ৰৰ সময়-শ্লট বুক কৰিব লাগিব আৰু লগতে নিৰ্বাচিত আধাৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব লাগিব। প্ৰাপ্তিস্বীকাৰ পত্ৰত আপোনাৰ সাক্ষাৎকাৰ আইডি আৰু কিউআৰ কোডো থাকে যি আপোনাৰ পঞ্জীয়ন/উন্নীতকৰণ পত্ৰত থাকে। আপুনি সময় ৰাহি কৰিবলৈ এখন ছপা প্ৰতিলিপি কঢ়িয়াব পাৰে। এএছকেত ছপাৰ সুবিধাও উপলব্ধ।

আপোনাৰ সাক্ষাৎকাৰ বুক কৰিবলৈ: https://appointments.uidai.gov.in/bookappointment.aspx

বক্স বাৰ্তাঃ আপোনাৰ নিজৰ বাবে অথবা আপোনাৰ পৰিয়ালৰ সদস্য/বন্ধুৰ বাবে অনলাইন বিনামূলীয়া সাক্ষাৎকাৰ বুক কৰক আৰু সময় ৰাহি কৰক

### 2.4.2 অনলাইন সাক্ষাৎকাৰ কিদৰে বুক কৰিব

আপুনি ইউআইডিএআই ৱেবচাইটৰ পৰা অথবা এমআধাৰ ম'বাইল এপৰ পৰা সাক্ষাৎকাৰ বুক কৰিব পাৰে৷ যদি আপুনি আধাৰ উন্নীতকৰণৰ বাবে সাক্ষাৎকাৰ বুক কৰিছে তেন্তে আধাৰ নম্বৰ আৰু ম'বাইল নম্বৰ প্ৰৱিষ্ট কৰাটো আৱশ্যক৷ এই সুবিধা আধাৰ পঞ্জীকৃত ম'বাইল নম্বৰৰ বাবে কেৱল **নিষেধ** নহয়৷ অনলাইন সাক্ষাৎকাৰৰ প্ৰক্ৰিয়াটো তলত উল্লেখ কৰা হ'লঃ

- এই পৃষ্ঠাটো পৰিদৰ্শন কৰক https://appointments.uidai.gov.in/bookappointment.aspx
- কেন্দ্ৰৰ নাম বাচনি কৰক আৰু 'Proceed to Book Appointment'ত ক্লিক কৰক
- আপুনি বিচৰা সেৱাটো বাচনি কৰক- নতুন আধাৰ অথবা আধাৰ উন্নীতকৰণ
- আপোনাৰ ম'বাইল নম্বৰ আৰু কেপ্টচা প্ৰৱিষ্ট কৰক আৰু প্ৰদান কৰক
- আপুনি প্ৰৱিষ্ট কৰা ম'বাইল নম্বৰত লাভ কৰা অ'টিপি প্ৰৱিষ্ট কৰক
- আপোনাৰ ম'বাইলৰ সফল প্ৰমাণীকৰণৰ পিছত এখন আবেদন প্ৰদৰ্শিত হ'ব৷ প্ৰয়োজনীয় বিৱৰণসমূহ প্ৰৱিষ্ট কৰাৰ পিছত আবেদনখন জমা কৰক
- আপুনি সাক্ষাৎকাৰৰ বিৱৰণ (তাৰিখ আৰু সময়) 'Manage Appointment' পৰিদৰ্শন কৰি ব্যৱস্থাপনা কৰিব পাৰে

টিউটৰিয়েল চাওক: https://youtu.be/8ZurY3nrv7U

## 2.5 আধাৰ প্ৰস্তুতি স্থিতি

যদি আপুনি পঞ্জীয়নৰ সময়ত ম'বাইল নম্বৰ/ইমেইল আইডি প্ৰদান কৰিছে তেন্তে আধাৰ প্ৰস্তুতি সম্পৰ্কীয় এক এছএমএছ/ইমেইল জাননী আপুনি লাভ কৰিব৷ আপুনি ইউআইডিএআইৰ ৱেবছাইটতো আধাৰৰ প্ৰস্তুতি পৰীক্ষণ কৰিব পাৰে অথবা ১৯৪৭তো কল কৰিব পাৰে৷

আধাৰ প্ৰস্তুতি স্থিতি পৰীক্ষণ কৰিবলৈ আপোনাক ইআইডি (পঞ্জীয়ন আইডি)ৰ প্ৰয়োজন হ'ব৷ পঞ্জীয়নৰ প্ৰাপ্তিস্বীকাৰ পত্ৰখনৰ ওপৰৰ ফালে বাঁওকাষে ১৪টা অংকৰ সংখ্যা (১২৩৪/১২৩৪৫/১২৩৪৫) আৰু ১৪টা অংকৰ সময় ষ্টাম্প য'ত পঞ্জীয়ন তাৰিখ আৰু সময় (দিন/মাহ/বৰ্ষ ঘণ্টাঃমিনিটঃছেকেণ্ড) থাকিব৷ এই ২৮টা অংকই একত্ৰিতভাৱে হ'ল পঞ্জীয়ন আইডি (ইআইডি)৷

ইআইডি সন্দৰ্ভত টিউটৰিয়েল চাওক: https://youtu.be/H9DmEW9zBx8

### 2.5.1 যদি ইআইডি হেৰাই যায় তেন্তে কি কৰিব?

প্ৰাপ্তি স্বীকাৰ পত্ৰত উল্লিখিত পঞ্জীয়ন আইডি আপুনি পঞ্জীয়নৰ সময়ত লাভ কৰে৷ এই শ্লিপখন সাৱধানে ৰাখিব৷ আপোনাৰ নিজৰ ৰেকৰ্ডৰ বাবে এই শ্লিপখনৰ এখন পৰিষ্কাৰ আলোকচিত্ৰ লগত ৰাখিব পাৰে৷ যদি আপুনি এই শ্লিপখন হেৰুৱায় তেন্তে নিম্নোক্ত দুটা পদ্ধতিৰ জৰিয়তে আপুনি আপোনাৰ ইআইডি পুনৰুদ্ধাৰ কৰিব পাৰেঃ

- uidai.gov.inৰ পৰা অনলাইনযোগে (ইয়াৰ বাবে বাধ্যতামূলক পঞ্জীয়ন ম'বাইল নম্বৰৰ আৱশ্যক)
- আধাৰ হেল্পলাইন ১৯৪৭ৰ পৰা অন-কল

ইআইডি/ইউআইডি কিদৰে লাভ কৰিব তাৰে টিউটৰিয়েল চাওক: https://youtu.be/wn6ec6OGbhA

আপোনাৰ ইআইডি অথবা ইউআইডি (আধাৰ নম্বৰ) লাভ কৰিবলৈ: https://resident.uidai.gov.in/lost-uideid

## 3 আধাৰ উন্নীতকৰণ

আপুনি দেশৰ যিকোনো আধাৰ কেন্দ্রত যিকোনো ডেম'গ্ৰাফিক তথ্য (নাম, ঠিকনা, জন্মৰ তাৰিখ, লিংগ, ম'বাইল নম্বৰ আৰু ইমেইল আইডি) অথবা বায়'মেট্ৰিক বিৱৰণ (আলোকচিত্ৰ, আঙুলিৰ চাপ, মণিবলয়) আপোনাৰ আধাৰৰ বাবে উন্নীতকৰণ কৰিব পাৰে৷

আপুনি একেটা সময়তে আধাৰ কেন্দ্রত এটাতকৈ অধিক তথ্য উন্নীতকৰণ কৰিব পাৰে৷ একক প্ৰৱিষ্ট (যেনে ঠিকনা) আৰু বহু প্ৰৱিষ্ট (যেনে ঠিকনা, ম'বাইল ফোন নম্বৰ, ইমেইল ঠিকনা ইত্যাদি)ৰ উন্নীতকৰণৰ মাচুল একেই৷ গতিকে উন্নীতকৰণৰ বাবে আধাৰ কেন্দ্ৰ পৰিদৰ্শন কৰাৰ পূৰ্বে আপুনি আপোনাৰ আধাৰৰ বিৱৰণ পৰীক্ষা কৰাটো আৱশ্যক৷

বক্স বাৰ্তাঃ আপুনি আপোনাৰ আধাৰ উন্নীতকৰণ কৰাৰ সময়ত কেৱল আধাৰৰ বিৱৰণহে উন্নীতকৰণ হয়, আধাৰ নম্বৰ একেটাই থাকে৷

### 3.1 উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় নথিপত্ৰসমূহ:

নিম্নোক্ত উন্নীতকৰণৰ বাবে আপুনি বৈধতাকৰণৰ বাবে এক বৈধ সমৰ্থন নথিপত্ৰ প্ৰদান কৰিব লাগিবঃ

- নাম
- ঠিকনা
- জন্মৰ তাৰিখ

এই নথিপত্ৰত আবেদনকাৰীৰ নাম থকাটো আৱশ্যক৷ আধাৰৰ ৱেবছাইট আৰু এমআধাৰ এপত উপলব্ধ গ্ৰহণযোগ্য নথিপত্ৰৰ তালিকাসমূহ (অংশ ১৩.১, পৰিশিষ্ট-১ চাওক)৷

নিম্নোক্ত তথ্যসমূহ উন্নীতকৰণৰ বাবে কোনো তথ্যৰ প্ৰয়োজন নাইঃ

- লিংগ
- ম'বাইল নম্বৰ
- ইমেইল আইডি
- আলোকচিত্ৰ
- আঙুলিৰ চাপ আৰু মণিবলয়
- স্থানীয় ভাষা

**টোকা**: পিতৃ/মাতৃ/স্বামীৰ নাম ঠিকনাৰ অংশ৷ আধাৰৰ গৰাকীয়ে এয়া যিকোনো সময়তে উন্নীতকৰণ কৰিব পাৰে৷ সবিশেষৰ বাবে অংশ ৩.৪ চাওক৷

### 3.2 অনলাইন ঠিকনা উন্নীতকৰণৰ সুবিধা

ইউআইডিআইএয়ে অনলাইনযোগে ঠিকনা উন্নীতকৰণৰ সুবিধা স্ব-সেৱা আৰু https://ssup.uidai.gov.in/ssup/ পৰ্টেলৰ জৰিয়তে প্ৰদান কৰিছে৷ ইয়াৰ বাবে অ'টিপি লাভ কৰিবলৈ আপোনাক পঞ্জীকৃত ম'বাইল নম্বৰৰ প্ৰয়োজন হ'ব৷ যদি পঞ্জীকৃত ম'বাইল নম্বৰ উপলব্ধ নহয় তেন্তে আপুনি আধাৰ আৰু সমৰ্থিত নথিপত্ৰৰ সৈতে যিকোনো আধাৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব পাৰে৷

#### 3.2.1 নথিপত্ৰৰ সৈতে ঠিকনাৰ অনলাইন উন্নীতকৰণ:

আপুনি আপোনাৰ নামৰ বৈধ প্ৰমাণৰ সৈতে আধাৰত ঠিকনা উন্নীতকৰণৰ বাবে অনুৰোধ প্ৰেৰণ কৰিব পাৰে৷ (অংশ ১৩.১, পৰিশিষ্ট-১ৰ তালিকা চাওক) অনলাইনত ঠিকনা উন্নীতকৰণৰ প্ৰক্ৰিয়া তলত উল্লেখ কৰা হ'লঃ

1. এছএছইউপি পৰিদৰ্শন কৰক - https://ssup.uidai.gov.in/ssup/
2. আপোনাৰ আধাৰ নম্বৰৰ সৈতে লগইন কৰক
3. ম'বাইলত লাভ কৰা অ'টিপি প্ৰৱিষ্ট কৰক
4. নতুন ঠিকনা প্ৰৱিষ্ট কৰক
5. আপোনাৰ আধাৰত স্থানীয় ভাষালৈ অনুবাদৰ বাবে ইউআইডিএআইক অনুমতি প্ৰদান কৰক অথবা স্বয়ং-অনুবাদ টেক্সটৰ সহায়ত বানানসমূহ শুদ্ধ কৰি লওক

6. এবাৰ আপুনি সকলো বিৱৰণ তথা বানান পৰীক্ষণ কৰাৰ পিছত ইয়াক জমা কৰক
7. সমৰ্থিত নথিপত্ৰৰ ৰঙীন স্কেন কৰক (যদি পৃষ্ঠাৰ সংখ্যা একাধিক হয় তেন্তে সকলোবোৰ স্কেন কৰি এটা ফাইলত পিডিএফ হিচাপে ছেভ কৰক) আৰু জমা কৰক
8. ভৱিষ্যতৰ বাবে ইউআৰএন (উন্নীতকৰণ অনুৰোধ সংখ্যা) টুকি ৰাখক৷

অনলাইন ঠিকনা উন্নীতকৰণৰ বাবে টিউটৰিয়েল চাওক - https://youtu.be/u7QFDiVyWbM
গ্ৰহণযোগ্য নথিপত্ৰৰ তালিকাৰ বাবে –
https://uidai.gov.in/images/commdoc/valid_documents_list.pdf

### 3.2.2 নথিপত্ৰ অবিহনে ঠিকনাৰ উন্নীতকৰণ

ইউআইডিআইএয়ে নথিপত্ৰত আৱাসীৰ নাম নথকাসকলৰ বাবেও ঠিকনা উন্নীতকৰণৰ এক সুবিধা প্ৰদান কৰিছে৷ এয়া বিশেষকৈ ‘পৰিয়াল সদস্য’, ‘বিয়াৰ পিছত সলনি হোৱা ঠিকনা’ অথবা নতুন স্থানলৈ স্থানান্তৰৰ বাবে সুবিধাজনক হয়৷ ঠিকনাৰ উন্নীতকৰণ ঠিকনা বৈধতাকৰণ পত্ৰৰ দ্বাৰাও সম্পন্ন কৰিব পাৰি৷

এই প্ৰক্ৰিয়াটোত দুটা উপাদান থাকেঃ

- আবাসী (আবেদনকাৰী)- আধাৰৰ গৰাকীয়ে তেওঁলোকৰ ঠিকনা পৰিৱৰ্তন কৰিবলৈ বিচাৰিলে
- ঠিকনাৰ বৈধতাকৰণ- আধাৰৰ গৰাকী যিয়ে তেওঁলোকৰ ঠিকনা আবেদনকাৰীক প্ৰদান কৰিবলৈ বিচাৰে

আবাসীয়ে এই প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পূৰ্বে

- আবাসী আৰু ঠিকনাৰ বৈধতা প্ৰদানকাৰীৰ আধাৰ পঞ্জীকৃত ম’বাইল নম্বৰ থকাটো আৱশ্যক
- আধাৰ বৈধতাকৰণ পত্ৰ প্ৰক্ৰিয়াকৰণ হৈ থকা অৱস্থাত দুয়ো চুক্তিত ছিংক হৈ থকাটো আৱশ্যক৷

আধাৰ বৈধতাকৰণৰ পত্ৰৰ টিউটৰিয়েলৰ বাবে - https://youtu.be/Yk839pM-IJU
এই সেৱা সম্বন্ধীয় এফএকিউৰ বাবে- https://uidai.gov.in/contact-support/have-any-question/923-faqs/aadhaar-online-services/request-for-address-validation-letter.html

## 3.3 শিশুৰ বাবে বাধ্যতামমূলক বায়’মেট্ৰিক উন্নীতকৰণ

শিশুসকলে ৫ আৰু ১৫ বছৰীয়া হোৱাৰ পিছত তেওঁলোকৰ বায়’মেট্ৰিক উন্নীতকৰণ কৰাটো আৱশ্যক৷ শিশুৰ আঙুলিৰ চাপ, মণিবলয় আৰু আলোকচিত্ৰ গ্ৰহণ কৰি তেওঁলোকৰ আধাৰৰ তথ্যত উন্নীতকৰণ কৰা হয়৷ শিশুটিক প্ৰদান কৰা আধাৰ নম্বৰৰ পৰিৱৰ্তন নহয়৷ শিশুৰ বাবে এই বাধ্যতামূলক বায়’মেট্ৰিক উন্নীতকৰণ বিনামূলীয়া হয়৷

## 3.4 আধাৰ ঠিকনাত ‘মাৰফৎ’ৰ উন্নীতকৰণ

আধাৰৰত ‘মাৰফৎ’টো ঠিকনাৰ এটা অংশ৷ পূৰ্বতে ইয়াক W/o, D/o, S/o অথবা C/o বুলি লিখা হৈছিল যদিও এতিয়া ইয়াক C/o বুলিহে লিখা হয়৷ যদি আপুনি আধাৰ উন্নীতকৰণ কৰিছে অথবা শেহতীয়া আধাৰ ডাউনলোড কৰিছে তেন্তে এতিয়া ইয়াত C/o বুলি দেখুৱাব৷

যদি আপুনি ইয়াৰ উন্নীতকৰণ কৰিবলৈ বিচাৰিছে তেন্তে ঠিকনা উন্নীতকৰণৰ অনুৰোধ প্ৰদান কৰিব পাৰে (আধাৰ কেন্দ্ৰত অথবা এছএছইউপি যোগে অনলাইনৰ দ্বাৰা- অংশ ৩.২.১ চাওক)৷

নথিপত্ৰসমূহ আপোনাৰ নামত হোৱা উচিত আৰু C/o ৰ ঠাইত যাৰ নাম আপুনি প্ৰৱিষ্ট কৰিবলৈ বিচাৰিছে তেওঁৰ নাম থকাটো আৱশ্যক নহয়৷ এয়া বাধ্যতামূলক নহয়৷ আপুনি আপোনাৰ ঠিকনাত C/oৰ স্থান খালীও ৰাখিব পাৰে৷

বক্স বাৰ্তাঃ C/o বাধ্যতামূলক নহয়৷ আপুনি আপোনাৰ ঠিকনাত C/o ৰ স্থানটো খালীও এৰিব পাৰে৷

## 3.5 উন্নীতকৰণৰ সংখ্যাৰ সীমা

ইউআইডিএআইৰ উন্নীতকৰণ নীতি অনুসৰি আধাৰত ডেম’গ্ৰাফিক তথ্য উন্নীতকৰণৰ বাবে নিম্নোক্ত সংখ্যক সুবিধা প্ৰদান কৰা হয়ঃ

- নাম- দুবাৰ উন্নীতকৰণ কৰিব পাৰি

- লিংগ – এবাৰ
- জন্মৰ তাৰিখ – এবাৰ

উপৰোক্ত উন্নীতকৰণৰ প্ৰক্ৰিয়াসমূহ অংশ ৩.১ত বৰ্ণিত অনুসাৰে অনুমতিযোগ্য সীমাৰ ভিতৰত উপলব্ধ। অন্যান্য ডেম'গ্ৰাফিক তথ্য যেনে- ঠিকনা, ইমেইল-আইডি, ম'বাইল নম্বৰ অথবা বায়'মেট্ৰিক- আলোকচিত্ৰ, আঙুলিৰ চাপ, মণিবলয়ৰ স্কেন উন্নীতকৰণ কৰাৰ বাবে কোনো সীমা নাই।

### 3.6 আধাৰ উন্নীতকৰণৰ ব্যতিক্ৰমী প্ৰক্ৰিয়াসমূহ

যদি কোনো কাৰণত ওপৰত উল্লিখিত স্থানকেইটা (নাম, লিংগ আৰু জন্মৰ তাৰিখ) অনুমতিযোগ্য সীমাৰ ঊৰ্ধত উন্নীতকৰণ কৰিবলৈ আপুনি নিম্নোক্তসমূহ পালন কৰা উচিতঃ

1. যিকোনো আধাৰ কেন্দ্ৰ পৰিদৰ্শন কৰক (নাম আৰু জন্মৰ তাৰিখৰ বাবে বৈধ সমৰ্থন নথিপত্ৰৰ সৈতে)
2. উন্নীতকৰণৰ অনুৰোধ প্ৰেৰণ কৰক
3. ১৯৪৭লৈ কল কৰি আধাৰ সহায় কেন্দ্ৰলৈ শেহতীয়া ইউআৰএন প্ৰেৰণ কৰক অথবা help@uidai.gov.in লৈ ইমেইল কৰি 'ব্যতিক্ৰম উন্নীতকৰণ'ৰ বাবে এক অনুৰোধ প্ৰেৰণ কৰক।

এই পৰিঘটনা চোৱাচিতা কৰিবলৈ ইউআইডিএআইৰ আঞ্চলিক কাৰ্যালয়ক দায়িত্ব প্ৰদান কৰা হয়। এবাৰ বৈধতাকৰণ হোৱাৰ পিছত আপোনাৰ অনুৰোধ প্ৰক্ৰিয়াকৰণ কৰা হয় আৰু ফলাফলৰ বাবে আপোনাৰ সৈতে যোগাযোগ কৰা হয়।

### 3.7 আধাৰ বাতিলকৰণৰ ক্ষেত্ৰত উন্নীতকৰণ

আপোনাৰ আধাৰ তথ্য পৰ্যায়ভিত্তিক গুণগত পৰীক্ষণৰ ওপৰত নিৰ্ভৰশীল। ইউআইডিএআইৰ দ্বাৰা গুণগত পৰীক্ষণৰ সময়ত যদি কিবা ত্ৰুটি পৰিলক্ষিত হয় তেন্তে তেওঁৰ আধাৰ সাময়িকভাৱে বাতিল কৰা হয় আৰু আধাৰৰ গৰাকীক এই সম্পৰ্কে অৱগত কৰা হয়। যদি আপোনাৰ আধাৰ বাতিল হয় তেন্তে আপুনি আধাৰভিত্তিক অটিপি/বায়'মেট্ৰিক প্ৰমাণীকৰণৰ সেৱা লাভ কৰিব নোৱাৰিব।

তেনে ক্ষেত্ৰত আপুনি নিম্নোক্ত প্ৰক্ৰিয়াসমূহ পালন কৰিব লাগিবঃ

1. ইউআইডিএআইয়ে প্ৰেৰণ কৰা ইমেইল/এছএমএছ/পত্ৰত 'আধাৰ বাতিলকৰণ'ৰ কাৰণ চাওক
2. যদি বায়'মেট্ৰিক কাৰণত আধাৰ বাতিল কৰা হৈছে তেন্তে যিকোনো আধাৰ সেৱা কেন্দ্ৰ পৰিদৰ্শন কৰি আপোনাৰ বায়'মেট্ৰিক উন্নীতকৰণ কৰক
3. যদি নথিপত্ৰৰ কাৰণত বাতিল হৈছে তেন্তে আধাৰৰ আঞ্চলিক কাৰ্যালয় পৰিদৰ্শ কৰি ডিউ ডিলিজেন্সৰ পিছত ইয়াৰ উন্নীতকৰণ কৰক।

### 3.8 উন্নীতকৰণৰ স্থিতি পৰীক্ষণ

আধাৰ উন্নীতকৰণৰ স্থিতি জানিবলৈ আপুনি প্ৰাপ্তিস্বীকাৰ শ্লিপত উল্লেখ থকা ১৪টা অংকৰ ইউআৰএন সংখ্যা আৰু তাৰিখ তথা সময়ৰ ষ্টাম্প ব্যৱহাৰ কৰিব পাৰে।

- আধাৰ হেল্পলাইন – ১৯৪৭
- uidai.gov.in
- এমআধাৰ এপ

এছএছইউপিৰ জৰিয়তে অনলাইন ঠিকনা উন্নীতকৰণ অনুৰোধৰ সফল প্ৰদানৰ পিছত আপুনি 0000/00XXX/XXXXX বিন্যাসৰ এটা ইউআৰএন (উন্নীতকৰণ অনুৰোধ সংখ্যা) লাভ কৰিব। ইয়াত স্ক্ৰীণত দেখুওৱা হ'ব আৰু আপোনাৰ পঞ্জীকৃত নম্বৰলৈ এছএমএছৰ জৰিয়তেও প্ৰেৰণ কৰা হ'ব। এই ইউআৰএন আৰু আপোনাৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰি https://ssup.uidai.gov.in/checkSSUPStatus/checkupdatestatus ত উন্নীতকৰণৰ স্থিতি পৰীক্ষা কৰিব পাৰে।

আধাৰ উন্নীতকৰণৰ ঠিকনা পৰীক্ষণৰ বাবেঃhttps://resident.uidai.gov.in/check-aadhaar

অনলাইন ঠিকনা উন্নীতকৰণৰ অনুৰোধৰ পৰীক্ষণ স্থিতি চাবলৈ:

https://ssup.uidai.gov.in/checkSSUPStatus/checkupdatestatus

## 3.9 আধাৰ উন্নীতকৰণৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথাসমূহ

1. কেৱল আধাৰৰ গৰাকীয়ে তেওঁৰ আধাৰৰ উন্নীতকৰণৰ অনুৰোধ প্ৰেৰণ কৰিব পাৰে৷ আধাৰৰ গৰাকীৰ হৈ আন এজনে উন্নীতকৰণৰ অনুৰোধ প্ৰেৰণ কৰিব নোৱাৰে (৫ বছৰৰ তলৰ শিশুৰ বাদে)।
2. আধাৰৰ গৰাকীয়ে আধাৰ উন্নীতকৰণৰ অনুৰোধ প্ৰমাণীকৰণ কৰিব লাগে৷ এই প্ৰমাণীকৰণ আধাৰ কেন্দ্ৰত বায়'মেট্ৰিক অথবা অনলাইন ঠিকনা উন্নীতকৰণৰ বাবে অ'টিপি প্ৰমাণীকৰণৰ জৰিয়তে সম্পন্ন কৰা হয়৷ ৫ বছৰৰ তলৰ শিশুসকলৰ বাবে এই প্ৰমাণীকৰণ শিশুটিৰ সৈতে সংযোজিত হৈ থকা আধাৰযুক্ত পিতৃ-মাতৃ/অভিভাৱকে কৰিব পাৰে৷
3. যদি আপুনি উন্নীতকৰণৰ শ্লিপখন হেৰুৱাইছে অথবা আপোনাৰ ওচৰত উন্নীতকৰণ অনুৰোধৰ সংখ্যাটো নাই তেন্তে অংশ ২.৫.১ত বৰ্ণিত অনুসৰি ইআইডি পুনৰুদ্ধাৰৰ বাবে প্ৰক্ৰিয়াসমূহ পালন কৰক৷
4. যদি আপোনাৰ উন্নীতকৰণৰ অনুৰোধ বাতিল হৈছে তেন্তে ১৯৪৭লৈ কল কৰি বাতিলৰ কাৰণ সুধিব পাৰে আৰু আন এটা উন্নীতকৰণৰ অনুৰোধ দিয়াৰ পূৰ্বে সতৰ্কতা অৱলম্বন কৰিব পাৰে৷
5. যদি আপোনাৰ আধাৰ 'অবৈধ' বুলি দেখুৱায় তেন্তে পৰামৰ্শৰ বাবে ১৯৪৭লৈ কল কৰক৷
6. যদি আপোনাৰ আধাৰত কেৱক 'জন্মৰ বৰ্ষ' ছপা হৈ আছে তেন্তে ইয়াৰ উন্নীতকৰণ নকৰিব৷ কেৱল আপোনাৰ শেহতীয়া আধাৰখন ডাউনলোড কৰক অথবা uidai.gov.inৰ পৰা আধাৰখন পুনৰ প্ৰিণ্ট কৰি লওক৷

# 4 আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ নথিপত্ৰৰ বৈধ তালিকা

বৈধতকৰণৰ বাবে সমৰ্থিত নথিপত্ৰ প্ৰদান কৰি আপুনি আপোনাৰ আধাৰৰ ডেম'গ্ৰাফিক বিৱৰণৰ উন্নীতকৰণ অথবা আধাৰৰ বাবে পঞ্জীভুক্ত হ'ব পাৰে৷ পৰিচয়ৰ প্ৰমাণ (পিঅ'আই)/ঠিকনাৰ প্ৰমাণ (পিঅ'এ)/জন্মৰ প্ৰমাণ (ডিঅ'পি)/সম্বন্ধৰ প্ৰমাণ (পিঅ'আৰ)ৰ তালিকা আমাৰ ৱেবছাইট uidai.gov.in, এম আধাৰ এপ আৰু পৰিশিষ্ট-১ (অংশ ১৩.১)তো উপলব্ধ৷

এক বৈধ সমৰ্থিত নথিপত্ৰ নিম্নোক্ত কাৰণত বাধ্যতামূলকঃ

- আধাৰ পঞ্জীয়ন
- নামৰ উন্নীতকৰণ
- ঠিকনাৰ উন্নীতকৰণ
- জন্মৰ তাৰিখ উন্নীতকৰণ

আপোনাৰ ডেম'গ্ৰাফিক অথবা বায়'মেট্ৰিক বিৱৰণৰ উন্নীতকৰণৰ বাবে আপুনি প্ৰত্যক্ষভাৱে যিকোনো আধাৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব পাৰে৷ তাৰোপৰি মনত ৰাখিব যে প্ৰবাসী ভাৰতীয়ৰ পঞ্জীকৰণৰ বাবে পিঅ'আই হিচাপে ভাৰতীয় পাৰপত্ৰ বাধ্যতামূলক৷ প্ৰবাসী ভাৰতীয়ই পিঅ'এ হিচাপে অন্য যিকোনো নথিপত্ৰ (বৈধ নথিপত্ৰৰ তালিকা অনুসৰি) প্ৰদান কৰিব পাৰে৷

গ্ৰহণযোগ্য নথিপত্ৰৰ তালিকা-

https://uidai.gov.in/images/commdoc/valid_documents_list.pdf

#### *4.1.1.1 পৰিচয়ৰ প্ৰমাণ (পিঅ'আই)*

আধাৰ পঞ্জীয়ন অথবা নামৰ উন্নীতকৰণৰ বাবে আপুনি শেহতীয় পিঅ'আই নথিপত্ৰ আলোকচিত্ৰৰ সৈতে প্ৰদান কৰিব লাগিব৷

#### *4.1.1.2 ঠিকনাৰ প্ৰমাণ (পিঅ'এ)*

আধাৰ কেন্দ্ৰত অথবা এছএছইউপি যোগে অনলাইনত ঠিকনাৰ উন্নীতকৰণৰ বাবে আপুনি আপোনাৰ নামৰ পিঅ'এ প্ৰদান কৰিব লাগিব৷ আপুনি ঠিকনা বৈধতাকৰণ পত্ৰৰ সেৱাও ব্যৱহাৰ কৰিব পাৰে (অংশ ৩.২.২ চাওক)।

#### *4.1.1.3 জন্মৰ তাৰিখ (ডিঅ'বি)*
আপোনাৰ আধাৰত জন্মৰ তাৰিখ উন্নীতকৰণৰ বাবে আপুনি আপোনাৰ নামৰ ডিঅ'পি প্ৰদান কৰিৱ লাগিব৷

#### *4.1.1.4 সম্বন্ধৰ প্ৰমাণ (পিঅ'আৰ)*
'পৰিয়ালৰ মুৰব্বীভিত্তিক' অথবা 'শিশুৰ পঞ্জীয়ন'ৰ বাবে আপুনি ইউআইডিএআইৰ স্বীকৃত সম্বন্ধৰ প্ৰমাণ (পিঅ'আৰ) প্ৰদান কৰিৱ লাগিব৷

#### *4.1.1.5 আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ স্বীকৃতিপত্ৰ*
সমৰ্থিত নথিপত্ৰৰ তালিকা অনুসৰি আপুনি আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ বাবে পিঅ'আই/পিঅ'এ/ডিঅ'বি প্ৰমাণ/পিঅ'আৰ হিচাপে সংশ্লিষ্ট প্ৰাধিকৰণে প্ৰদান কৰা স্বীকৃতিপত্ৰ ব্যৱহাৰ কৰিৱ পাৰে৷ এই ধৰণৰ স্বীকৃতিপত্ৰৰ বাবে ইউআইডিএআইয়ে এক মানসম্পন্ন বিন্যাস প্ৰদান কৰিছে৷ (অংশ ১৩.২, পৰিশিষ্ট ২ চাওক)৷ পিঅ'আই/পিঅ'এ/ডিঅ'বি প্ৰমাণৰ বাবে যদি আপোনাৰ হাতত গ্ৰহণযোগ্য নথিপত্ৰ নাথাকে, তেতিয়াহে তেনে ধৰণৰ স্বীকৃতিপত্ৰ আপুনি ব্যৱহাৰ কৰিৱ লাগে৷ আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ বাবে মানসম্পন্ন স্বীকৃতিপত্ৰৰ তালিকা চাবলৈ:

https://uidai.gov.in/images/commdoc/valid_documents_list.pdf

## 5 আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ বাবে মাচুল
ইউআইডিএআইয়ে আধাৰ সম্বন্ধীয় সেৱাসমূহৰ বাবে সকলো ৰেজিষ্ট্ৰাৰলৈ সৰ্বাধিক পৰিমাণ মাচুলৰ পৰিমাণ নিৰ্ধাৰিত কৰিছে৷ এক বা একাধিক স্থানৰ উন্নীতকৰণক এটা উন্নীতকৰণ হিচাপে গণ্য কৰা হ'ব৷ আধাৰৰ তথ্য উন্নীতকৰণ কৰাৰ পূৰ্বে আপোনাক আধাৰৰ বিৱৰণ সম্পূৰ্ণৰূপে পৰীক্ষণ কৰ ল'বলৈ অনুৰোধ জনোৱা হ'ল যাতে সময় আৰু ধন দুয়োটাই ৰাহি হয়৷

### 5.1 আধাৰ পঞ্জীয়ন/উন্নীতকৰণ আবেদনৰ বাবে কোনো মাচুল নালাগে
ৰেজিষ্ট্ৰাৰ পৰিচালিত বেংক, ডাকঘৰ, বিএছএনএল কেন্দ্ৰ, চিএছচি অথবা ৰাজ্যিক চৰকাৰৰ কাৰ্যালয় অথবা ইউআইডিএআইৰ পৰিচালিত কেন্দ্ৰ পৰিদৰ্শন কৰাৰ সময়ত আধাৰৰ পঞ্জীয়ন/উন্নীতকৰণ আবেদনৰ বাবে কোনো ধৰণৰ মাচুল দিব নালাগে৷ আধাৰ উন্নীতকৰণ অথবা ছপাৰ বাবেহে মাচুল লোৱা হয়৷ যদি আপুনি অনলাইনত সাক্ষাৎকাৰ বুক কৰে তেন্তে অনলাইন যোগেও আপুনি মাচুল পৰিশোধ কৰিৱ পাৰে৷

বক্স বাৰ্তাঃ uidai.gov.inৰ পৰা আধাৰ পঞ্জীয়ন/উন্নীতকৰণ আবেদন ডাউনলোড কৰি লওক৷ ইয়াৰ বাবে কোনো এজেণ্ট/এজেন্সীক মাচুল পৰিশোধ কৰিৱ নালাগে৷

### 5.2 কেন্দ্ৰই আপোনাৰ পৰা অত্যাধিক মাচুল আদায় কৰিলে কিদৰে অভিযোগ দাখিল কৰিব
যদি কেন্দ্ৰই নিৰ্ধাৰিত মাচুলতকৈ অত্যাধিক মাচুল আপোনাৰ পৰা আদায় কৰে, তেন্তে আপুনি নিম্নোক্ত অনুসাৰে অভিযোগ দাখিল কৰিৱ পাৰেঃ

- ১৯৪৭লৈ কল কৰি অভিযোগ দাখিল কৰক
- আপোনাৰ ইউআৰএনৰ সৈতে কেন্দ্ৰৰ সবিশেষ জনাই help@uidai.gov.in লৈ মেইল প্ৰেৰণ
- অনলাইন অভিযোগ দাখিল: https://resident.uidai.gov.in/file-complaint

## 6 আধাৰ লাভ

### 6.1 আধাৰ প্ৰস্তুতি

ওপৰত উল্লেখ কৰা অনুসৰি ইউআইডিএআইৰ দ্বাৰা বিন্যাসিত প্ৰক্ৰিয়ামতে পঞ্জীকৃত হোৱাৰ পিছত আপোনাৰ তথ্যৰ গুণগতমান পৰীক্ষা কৰা হ'ব। এই প্ৰক্ৰিয়াৰ সফল ৰূপায়ণৰ পিছত আপোনাৰ আধাৰ প্ৰস্তুত হ'ব। আধাৰ উন্নীতকৰণৰ পিছতো ঠিক একেধৰণৰ গুণগতমানৰ পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। আপোনাৰ আধাৰ প্ৰস্তুত/উন্নীতকৰণ হোৱাৰ পিছত পঞ্জীকৃত ম'বাইল নম্বৰত এক এছএমএছ লাভ কৰিব।

### 6.2 আধাৰ পত্ৰ

এবাৰ আধাৰ প্ৰস্তুত অথবা উন্নীতকৰণৰ অনুৰোধ প্ৰদান সম্পন্ন হোৱাৰ পিছত আপোনাৰ আধাৰখন ছপা হ'ব আৰু ভাৰতীয় ডাক সেৱাৰ জৰিয়তে পঞ্জীকৃত ঠিকনালৈ প্ৰেৰণ কৰা হ'ব। আধাৰ পত্ৰ আপোনালৈ প্ৰেৰণ কৰাৰ সময়ত আপোনাৰ পঞ্জীকৃত নম্বৰত এটা এছএমএছ প্ৰেৰণ কৰা হ'ব।
বক্স বাৰ্তাঃ যদি আপুনি পত্ৰ প্ৰেৰণৰ ১৫ দিনৰ ভিতৰত আধাৰ পত্ৰ লাভ নকৰে তেন্তে স্থানীয় ডাকঘৰত খবৰ কৰিব পাৰে।

### 6.3 আধাৰ ডাউনলোড

আপুনি আপোনাৰ আধাৰ ইউআইডিএআইৰ ৱেবছাইট - https://eaadhaar.uidai.gov.in/#/ ৰ পৰা অথবা এমআধাৰ এপৰ পৰা ডাউনলোড কৰিব পাৰে। আপুনি আপোনাৰ আধাৰ নিম্নোক্ত অনুসাৰে ডাউনলোড কৰিব পাৰে:

- **ইআইডি ব্যৱহাৰ কৰি (পঞ্জীয়ন আইডি):** আধাৰ ডাউনলোড কৰিবলৈ আপোনাৰ সম্পূৰ্ণ নাম আৰু পিনকোডৰ সৈতে ২৮টা সংখ্যাৰ পঞ্জীয়ন নম্বৰ ব্যৱহাৰ কৰক।
- **ইউআইডি ব্যৱহাৰ কৰি (আধাৰ নম্বৰ):** আধাৰ ডাউনলোড কৰিবলৈ আপোনাৰ সম্পূৰ্ণ নাম আৰু পিন কোডৰ সৈতে ১২টা অংকৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰক।

#### 6.3.1 আধাৰ ডাউনলোড কৰিবলৈ অ'টিপি আৰু পাছৱৰ্ড

আধাৰ ডাউনলোড কৰিবলৈ অ'টিপি আপুনি আপোনাৰ পঞ্জীকৃত ম'বাইল নম্বৰত লাভ কৰিব। এই অ'টিপিৰ পৰিৱৰ্তে ই-আধাৰ ডাউনলোড কৰিবলৈ আপুনি টি-অ'টিপি (টাইম অ'টিপি)ও ব্যৱহাৰ কৰিব পাৰে। টি-অ'টিপি এমআধাৰ এপ <এম আধাৰ এপৰ পৰা টি-অ'টিপি সেৱাৰ স্ক্ৰীণশ্ব'ট সংযুক্ত কৰক > ৰ পৰা প্ৰস্তুত কৰিব পাৰি।
ডাউনলোড কৰা আধাৰক ই-আধাৰ বুলিও কোৱা হয় যি পাছৱৰ্ডৰ দ্বাৰা সুৰক্ষিত হয়। আপোনাৰ ইআধাৰৰ পাছৱৰ্ডটো হ'ল আপোনাৰ নামৰ প্ৰথম চাৰিটা আখৰ বৰফলাত আৰু জন্মৰ বৰ্ষটো (ৱাইৱাইৱাইৱাই)।
ই আধাৰৰ বিষয়ে অধিকভাৱে জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/283-faqs/aadhaar-online-services/e-aadhaar.html

#### 6.3.2 ইআধাৰত ডিজিটেল স্বাক্ষৰৰ বৈধতাকৰণ

আপোনাৰ ই-আধাৰ ইউআইডিএআইৰ দ্বাৰা ডিজিটেলী স্বাক্ষৰিত হয়। যদি আপোনাৰ ই-আধাৰত এটা প্ৰশ্নবোধক চিহ্ন আছে তেন্তে ইয়াৰ ব্যৱহাৰ কৰাৰ পূৰ্বে ডিজিটেল স্বাক্ষৰটো বৈধতাকৰণ কৰি ল'ব লাগিব।
ই আধাৰত ডিজিটেল স্বাক্ষৰৰ কিদৰে বৈধতাকৰণ কৰা হয় সেয়া চাওক: https://youtu.be/qKltutvyUnU

#### 6.3.3 ডাউনলোড কৰা আধাৰ আইনীভাৱে বৈধ

ডাউনলোড কৰা আধাৰ আইনীভাৱে বৈধ আৰু ইয়াক আধাৰ পত্ৰৰ দৰে ব্যৱহাৰ কৰিব পাৰি। ডাউনলোড কৰা আধাৰত থকা কিউআৰ কোডৰ পৰাও ইয়াৰ বৈধতাকৰণ কৰিব পাৰি। ই আধাৰৰ বৈধতাকৰণ পৰীক্ষা কৰিবলৈ:
https://uidai.gov.in/images/uidai_om_on_e_aadhaar_validity.pdf

### 6.4 এমআধাৰ ম'বাইল এপ

আপুনি আপোনাৰ আধাৰ স্মাৰ্টফোনত থকা এমআধাৰ এপৰ জৰিয়তে পকেটতে ইয়াক লৈ ফুৰিব পাৰে। এই এপটোৱে আপোনাক ৩৫টাত কৈও অধিক অনলাইন আধাৰ সেৱা প্ৰদান কৰে। এমআধাৰ গুগল প্লে' আৰু এপল এপ ষ্টোৰত ডাউনলোডৰ বাবে উপলব্ধ।

এণ্ড্ৰইড এমআধাৰ এপ ডাউনলোড কৰিবলৈ:

https://play.google.com/store/apps/details?id=in.gov.uidai.mAadhaarPlus&hl=en_IN

আইঅ'এছ এমআধাৰ এপ ডাউনলোড কৰিবলৈ: https://apps.apple.com/in/app/maadhaar/id1435469474

### 6.5 আধাৰৰ পুনৰ ছপা

যিসকল লোকে আধাৰ পোৱা নাই অথবা আধাৰ হেৰুৱাইছে তেওঁলোকৰ বাবে ইউআইডিএআইয়ে আধাৰ পত্ৰ পুনৰ ছপা কৰি দিয়াৰ সুবিধা প্ৰদান কৰে। এয়া হ'ল মাচুলযুক্ত সেৱা। uidai.gov.in অথবা এমআধাৰ এপৰ পৰা আধাৰ পুনৰ ছপা কৰি দিয়াৰ বাবদ ৫০টকাৰ মাচুল গ্ৰহণ কৰা হয়। পুনৰ ছপা কৰা আধাৰখন ভাৰতীয় ডাকৰ জৰিয়তে অনুৰোধ প্ৰদানৰ ১৫ দিনৰ ভিতৰত পঞ্জীকৃত ঠিকনালৈ প্ৰেৰণ কৰা হয়। এই সেৱাৰ বাবে পঞ্জীকৃত ম'বাইল নম্বৰ বাধ্যতামূলক নহয়। আধাৰ পুনৰ ছপা কৰিবলৈ আপুনি নিম্নোক্ত পৰিচায়কসমূহ ব্যৱহাৰ কৰিব পাৰেঃ

- আধাৰ নম্বৰ (১২টা অংকৰ)
- ভাৰ্চুৱেল আইডি (আধাৰ নম্বৰৰ স্থানত ব্যৱহাৰ কৰিব পৰা ১৬টা অংকৰ ভিআইডি)
- ইআইডি (২৮টা অংকৰ পঞ্জীয়ন আইডি)

আপুনি আধাৰৰ পুনৰ ছপাৰ মাচুল ক্ৰেডিট/ডেবিট কাৰ্ড, নেট বেংকিং অথবা ইউপিআইৰ জৰিয়তে পৰিশোধ কৰিব পাৰে। স্পীড পোষ্ট অনুসৰণ, এডব্লিউবি আৰু এছআৰএনৰ বাবে আপোনাৰ ম'বাইলত এছএমএছযোগে জাননী প্ৰেৰণ কৰা হ'ব। আধাৰ পুনৰ ছপাৰ বিষয়ে অধিক জানিবলৈঃ https://www.uidai.gov.in/contact-support/have-any-question/924-faqs/aadhaar-online-services/order-aadhaar-html

টিউটৰিয়েল ভিডিঅ' চাবলৈ: https://youtu.be/TCyvnWXDDAQ

## 7 আধাৰৰ বৈধতাকৰণ

### 7.1 যিকোনো আধাৰৰ অনলাইনযোগে বৈধতাকৰণ

uidai.gov.in ৰ জৰিয়তে যিকোনো আধাৰ নম্বৰ বৈধতাকৰণ কৰিব পাৰি। আপুনি এই সেৱা যিকোনো আধাৰ নম্বৰৰ প্ৰমাণীকৰণ পৰীক্ষা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে। প্ৰৱিষ্ট কৰা আধাৰ নম্বৰৰ বাবে আপুনি আধাৰ গৰাকীৰ নিম্নোক্ত তথ্যসমূহ লাভ কৰিব পাৰিব:

- আধাৰ নম্বৰটো বিদ্যমান হয় নে নহয়
- বয়সৰ সীমা
- লিংগ
- বাস কৰা ৰাজ্য
- ম'বাইল নম্বৰ (মাস্কিঙত কেৱল ৪টা সংখ্যা দেখুৱাব)

ফলাফলৰ এটা স্ক্ৰীণশ্ব'ট সংযুক্ত কৰিব

অধিক জানিবলৈ কিউআৰ কোড স্কেন কৰক: কনটেক্সট ভিডিঅ'ত লিংক সংযোজিত কৰক

ইয়াৰোপৰি সেৱা প্ৰদানকাৰীয়ে নিম্নোক্ত সেৱাসমূহ ব্যৱহাৰ কৰি আধাৰ উপস্থাপনৰ বৈধতাকৰণ কৰিব পাৰেঃ

1. অনলাইন আবেদনঃ https://resident.uidai.gov.in/verify
2. এম আধাৰ এপৰ পৰা
3. আধাৰ কিউআৰ কোড স্কেনাৰ এপ অথবা এম আধাৰ এপ ব্যৱহাৰ কৰি আধাৰত থকা কিউআৰ স্কেন কৰক

## 7.2 আধাৰত সুৰক্ষিত কিউআৰ কোড

আধাৰ পত্ৰ আৰু ই আধাৰত ডিজিটেলি স্বাক্ষৰিত কিউআৰ কোড থাকে য'ত আধাৰৰ গৰাকীৰ আলোকচিত্ৰৰ সৈতে ডেম'গ্ৰাফিক বিৱৰণ থাকে৷ এই কিউআৰ কোড আধাৰৰ গৰাকীৰ বৈধতাকৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি৷
সেৱা প্ৰদানকাৰীয়ে আধাৰত থকা কিউআৰ কোড স্কেন কৰিবলৈ আধাৰ কিউআৰ কোড স্কেনাৰ এপ (এমআধাৰতো উপলব্ধ) ব্যৱহাৰ কৰাটো প্ৰয়োজন হয়৷
সুৰক্ষিত কিউআৰ কোডৰ টিউটৰিয়েল চাবলৈ: https://youtu.be/kMgUpc63dFs
সুৰক্ষিত কিউআৰ কোডৰ বিষয়ে অধিক জানিবলৈ: https://www.uidai.gov.in/contact-support/have-any-question/306-faqs/aadhaar-online-services/secure-qr-code-reader-beta.html

## 8 আধাৰ অনলাইন সেৱাসমূহ

ইউআইডিএআইয়ে আধাৰৰ ৱেবছাইট uidai.gov.in আৰু এম আধাৰ এপত আধাৰ সম্বন্ধীয় সেৱাসমূহ প্ৰদান কৰে৷ আপুনি এই সেৱাসমূহ উন্নত দৃশ্যমান আৰু আৰু আধাৰ তথ্যৰ নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰে৷

### 8.1 আধাৰৰ অনলাইন সেৱাসমূহ (য'ত পঞ্জীকৃত ম'বাইল নম্বৰৰ প্ৰয়োজন নাই)

- **পঞ্জীয়ন কেন্দ্ৰৰ সন্ধান কৰিবলৈ:** আপুনি বিভিন্ন সন্ধান পেৰামিটাৰ ব্যৱহাৰ কৰি নিকটৱৰ্তী আধাৰ কেন্দ্ৰৰ বিৱৰণৰ পাব পাৰে৷
- **সাক্ষাৎকাৰ বুক কৰাৰ বাবে:** আপুনি আধাৰ পঞ্জীয়ন অথবা উন্নীতকৰণ কৰাৰ বাবে যিকোনো সুবিধাজনক আধাৰ কেন্দ্ৰত নিজৰ বাবে অথবা পৰিয়ালৰ লোক অথবা বন্ধুৰ বাবে সাক্ষাৎকাৰ বুক কৰিব পাৰে৷
- **আধাৰৰ স্থিতি পৰীক্ষণঃ** আপুনি আপোনাৰ  আধাৰৰ পঞ্জীয়ন/উন্নীতকৰণৰ স্থিতি ১৪টা অংকৰ পঞ্জীয়ন আইডি/ইউআৰএন আৰু ১৪-টা অংকৰ  টাইম ষ্টাম্প সম্পূৰ্ণ নাম আৰু পিন কোডৰ সবিশেষৰ সৈতে পৰীক্ষা কৰিব পাৰে৷
- **আধাৰৰ পুনৰ ছপাৰ অৰ্ডাৰঃ** আপুনি নিজৰ অথবা পৰিয়ালৰ আধাৰ পুনৰ ছপাৰ বাবে অৰ্ডাৰ দিব পাৰে৷ অংশ ৬.৪ত  ইয়াৰ সবিশেষ আছে৷
- **পুনৰ ছপাৰ স্থিতি পৰীক্ষণ:** আপুনি আপোনাৰ আধাৰৰ পুনৰ ছপাৰ স্থিতি এছআৰএন আৰু আধাৰ নম্বৰ প্ৰৱিষ্ট কৰি পৰীক্ষা কৰিব পাৰিব৷

### 8.2 আধাৰৰ অনলাইন সেৱাসমূহ (য'ত পঞ্জীকৃত ম'বাইল নম্বৰৰ প্ৰয়োজন হয়)

আধাৰৰ অনলাইন সেৱা কিছুমানত অ'টিপি প্ৰমাণীকৰণৰ প্ৰয়োজন হয় আৰু সেয়ে পঞ্জীকৃত ম'বাইল নম্বৰৰ প্ৰয়োজন হয়৷ তেতিয়া অ'টিপি ব্যৱহাৰৰ পৰিৱৰ্তে টি-অ'টিপি (টাইমভিত্তিক অ'টিপি) ব্যৱহাৰ কৰি ই-আধাৰ ডাউনলোড কৰিব পাৰি৷ টি-অ'টিপি এমআধাৰ এপ ব্যৱহাৰ কৰি প্ৰস্তুত কৰিব পাৰি৷

- **আধাৰ ডাউনলোড:** আপুনি যিসকলো সময়তে আধাৰ ডাউনলোড কৰি ব্যৱহাৰ কৰিব পাৰে৷ এয়া বিনামূলীয়া সেৱা আৰু ইয়াত বাধ্যতামূলত অ'টিপি প্ৰমাণীকৰণৰ প্ৰয়োজন হয়৷

**বক্স বাৰ্তাঃ** আপুনি এটা কেলেণ্ডাৰ বৰ্ষত সৰ্বাধিক ২০বাৰ আধাৰ ডাউনলোড কৰিব পাৰে৷

- **হেৰুওৱা/পাহৰি যোৱা ইউআইডি/ইআইডিৰ পুনৰুদ্ধাৰ**: এই সেৱা ব্যৱহাৰ কৰি আপুনি আপোনাৰ হেৰুওৱা পঞ্জীয়ন আইডি অথবা আধাৰ নম্বৰ পুনৰুদ্ধাৰ কৰিব পাৰিব৷ এই সেৱাত অ'টিপি প্ৰমাণীকৰণ বাধ্যতামূলক হয়৷
- **অনলাইনযোগে ঠিকনাৰ উন্নীতকৰণঃ** যদি আপোনাৰ আধাৰ পঞ্জীকৃত ম'বাইল নম্বৰ আছে তেন্তে আপুনি এছএছইউপি ব্যৱহাৰ কৰি আধাৰৰ এক অনলাইন ঠিকনা উন্নীতকৰণৰ অনুৰোধ প্ৰেৰণ কৰিব পাৰে (স্ব-সেৱা উন্নীচ প'ৰ্টেল)। এই সেৱাত অ'টিপি প্ৰমাণীকৰণ বাধ্যতামূলক হয়৷

- **বৈধতাকৰণৰ পত্ৰৰ অনুৰোধঃ** এই সেৱাই বৈধতাপ্ৰদানকাৰীক আপোনাৰ আধাৰত ঠিকনা উন্নীতকৰণৰ এক সুবিধা প্ৰদান কৰিব৷ অনুগ্ৰহ কৰি এই সেৱাৰ অধিক বিৱৰণৰ বাবে অংশ ৩.২.২ চাওক৷
- **আধাৰ বেংক সংযোগীকৰণৰ স্থিতিঃ** আপুনি এই সেৱা ব্যৱহাৰ কৰি আধাৰ আৰু বেংক একাউণ্ট সংযোগীকৰণৰ স্থিতি এনপিচিআই মেপাৰত চাব পাৰে৷ এই সেৱাত অ'টিপি প্ৰমাণীকৰণ বাধ্যতামূলক হয়৷

**বক্ৰ বাৰ্তাঃ** এনপিচিআই মেপাৰত মেপড কৰি থোৱা যিকোনো এটা একাউণ্টত আপুনি আধাৰভিত্তিক ক্ৰেডিট লাঙ কৰিব৷

### 8.3 সঘনাই সোধা প্ৰশ্নসমূহ

আধাৰৰ প্ৰক্ৰিয়া, সেৱা আৰু সামগ্ৰীসমূহৰ বিষয়ে আবাসীসকলক জনাবলৈ ইউআইডিএআইয়ে ৱেবছাইট আৰু এমআধাৰ এপত এটা সঘনাই সোৱা প্ৰশ্নৰ শিতান অন্তৰ্ভুক্ত কৰিছে৷

- এফএকিউ পঢ়িবলৈ: https://uidai.gov.in/contact-support/have-any-question/277-faqs.html

## 9 আপোনাৰ আধাৰ তথ্যৰ গোপনীয়তা আৰু সুৰক্ষা

আধাৰ প্ৰকল্পৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটোৱেই হ'ল আপোনাৰ তথ্যৰ সুৰক্ষা৷ এটা যাদৃচ্ছিক নম্বৰে কোনো ব্যক্তিৰ তথ্য ফাদিল নকৰে৷ ইউআইডিএআইয়ে আবাসীসকলৰ তথ্য সুৰক্ষিত কৰি ৰাখে৷

### 9.1 ইউআইডিএআইয়ে গোপনীয়তা আৰু তথ্যৰ সুৰক্ষা প্ৰদান কৰে

- **সীমিত তথ্যৰ সংগ্ৰহ:** আধাৰ নম্বৰ জাৰি আৰু আধাৰৰ গৰাকীৰ পৰিচয় নিশ্চিতিকৰণৰ বাবে প্ৰয়োজনীয় সীমিতসংখ্যক তথ্যহে ইউআইডিএআইয়ে সংগ্ৰহ কৰে৷ নাম, জন্মৰ তাৰিখ, লিংগ, ঠিকনা, বায়'মেট্ৰিক তথ্য, আলোকচিত্ৰ, দহটা আঙুলিৰ চাপ আৰু মণিবলয়কে ধৰি কেৱল প্ৰাথমিক তথ্যসমূহহে গ্ৰহণ কৰা হয়৷ শিশুৰ ক্ষেত্ৰত পিতৃ-মাতৃ/অভিভাৱকৰ নামটো প্ৰয়োজনীয়৷ ম'বাইল নম্বৰ আৰু ইমেইল আইডি বৈকল্পিক৷
- **কোনো প্ৰফাইলিং আৰু অনুসৰণ তথ্য সংগ্ৰহ কৰা নহয়:** ইউআইডিএআইৰ নীতি অনুসৰি ব্যক্তিগত তথ্য যেনে ধৰ্ম, জাতি, শ্ৰেণী, বৰ্ণ, উপাৰ্জন, স্বাস্থ্য স্থিতি আদিৰ তথ্য সংগ্ৰহ কৰা নহয়৷
- **ডাটা এনক্ৰিপছনৰ সৈতে স্বীকৃতিপ্ৰাপ্ত যন্ত্ৰঃ** আধাৰ পঞ্জীয়ন/উন্নীতকৰণ ইউআইডিএআইয়ে প্ৰদান কৰা স্বীকৃতিপ্ৰাপ্ত সঁজুলিৰ সৈতেহে সম্পন্ন কৰা হয়৷ সংগ্ৰহ কৰা তথ্যসমূহ তৎকালীনভাৱে এনক্ৰিপ্টেড কৰা হয়৷
- **তথ্যৰ মুকলি- হয় অথবা নহয় উত্তৰঃ** ইউআইডিএআইয়ে আধাৰ ডাটাবেছৰ পৰা কাৰো ব্যক্তিগত তথ্য ফাদিল নকৰে৷ যদি আপুনি বৈধতাকৰণ উদ্দেশ্যত আধাৰ ব্যৱহাৰ কৰে তেন্তে ইউআইডিএআইৰ পৰা কেৱল 'হয়' বা 'নহয়' উত্তৰহে পাব৷
- **অভিসৰণ আৰু অন্য ডাটাবেছৰ সৈতে ইউআইডিএআইৰ তথ্যৰ সংযোগীকৰণঃ** আধাৰ ডাটাবেছ অন্য কোনো ডাটাবেছৰ সৈতে সংযোজিত নহয়৷ ইয়াক কেৱল ব্যক্তি এজনৰ পৰিচয়ৰ বৈধতাকৰণৰ উদ্দেশ্যত হে ব্যৱহাৰ কৰা হয় আৰু সেয়াও আধাৰ গৰাকীৰ সন্মতি অনুসাৰেহে সমাপন কৰা হয়৷

### 9.2 চিআইডিআৰত ডাটা সুৰক্ষা

সকলো আধাৰ গৰাকীৰ তথ্য ইউআইডিএআইৰ কেন্দ্ৰীয় পৰিচয় তথ্য ভাণ্ডাৰ (চিআইডিআৰ)ত সুৰক্ষিত হৈ থাকে৷ চিআইডিআৰ বৈদ্যুতিকভাৱে আৰু কায়িকভাৱে সুৰক্ষিত হৈ থাকে৷ ইয়াত থকা তথ্যসমূহ শ্ৰেষ্ঠতম এনক্ৰিপছন প্ৰযুক্তিৰ দ্বাৰা সুৰক্ষিত আৰু অত্যাধিক সুৰক্ষিত ডাটা ভল্টত সঞ্চিত হৈ থাকে৷ ইয়াৰ সকলো ব্যৱহাৰ সূচীভুক্ত কৰা হয়৷

ইউআইডিএআইৰ কঠোৰ সুৰক্ষা আৰু সঞ্চয় প্ৰট'কল আছে৷ সুৰক্ষা উলংঘনৰ শাস্তি গুৰুতৰ হয়৷ চিআইডিআৰত হেকিং অথবা বিনা অনুমোদনৰ ব্যৱহাৰ আধাৰ আইন ২০১৬ অনুসৰি দণ্ডনীয় হয়৷

## 9.3 আপোনাৰ আধাৰ তথ্য কিদৰে সুৰক্ষিত কৰিব পাৰে

উপৰোক্ত সুৰক্ষা ব্যৱস্থাৰ উপৰিও ইউআইডিএআইয়ে আপোনাৰ আধাৰৰ বিৱৰণ ব্যক্তিগত কৰি ৰাখিবলৈ তথা আন এটা সুৰক্ষাৰ প্ৰলেপ প্ৰদান কৰিবলৈ কিছুমান অনলাইন সুবিধা প্ৰদান কৰে৷ সেইসমূহ হ'লঃ

- **আধাৰ উন্নীতকৰণ ইতিহাস:** আপুনি এই সেৱা আপোনাৰ আধাৰত সম্পন্ন কৰা সকলো উন্নীতকৰণৰ ইতিহাস ক্ৰন'ল'জিকেল ক্ৰমত পোৱাৰ বাবে ব্যৱহাৰ কৰিব পাৰে৷ এই সেৱাৰ বাবে অ'টিপি আপোনাৰ পঞ্জীকৃত ম'বাইল নম্বৰলৈ প্ৰেৰণ কৰা হ'ব৷

টিউটৰিয়েল চাওক: https://youtu.be/gLp33gyQWj0

- **আধাৰৰ বৈধতাকৰণ:** এই সেৱা যিকোনো আধাৰ বৈধতাকৰণ বাবে ব্যৱহাৰ কৰিব পাৰি৷

টিউটৰিয়েল চাওক: https://youtu.be/2FOuvHUq3dc

- **ইমেইল/ম'বাইল নম্বৰৰ বৈধতাকৰণ:** এই সেৱা আপুনি ইমেইল অথবা ম'বাইল ফোন নম্বৰ বৈধতাকৰণৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰে৷ এই সেৱাৰ বাবে অ'টিপি আপোনাৰ পঞ্জীকৃত ম'বাইল নম্বৰলৈ প্ৰেৰণ কৰা হ'ব৷ আধাৰত আপোনাৰ ইমেইল/ম'বাইল নম্বৰ পৰীক্ষণ কৰাৰ বাবে : https://resident.uidai.gov.in/verify-email-mobile

- **ভাৰ্চুৱেল আইডি (ভিআইডি) প্ৰস্তুতকাৰক:** যদি আপুনি আধাৰভিত্তিক বৈধতাকৰণৰ বাবে নিজৰ আধাৰ নম্বৰটো প্ৰকাশ হোৱাটো বিচৰা নাই তেন্তে ১৬টা অংকৰ ভাৰ্চুৱেল আইডি ব্যৱহাৰ কৰিব পাৰে৷ আপুনি আপোনাৰ ভিআইডি uidai.gov.in, এম আধাৰ এপ অথবা আধাৰ এছএমএছ সেৱাৰ দ্বাৰা প্ৰস্তুত কৰিব পাৰে৷

ভিআইডিৰ বিষয়ে অধিক জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/284-faqs/aadhaar-online-services/virtual-id-vid.html

আধাৰ এছএমএছ সেৱাৰ বিষয়ে অধিক জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/1014-faqs/aadhaar-online-services/aadhaar-sms-service.html

- **আধাৰ প্ৰমাণীকৰণ ইতিহাসঃ** এই সেৱা ব্যৱহাৰ কৰি আপুনি বিগত ৬টা মাহত সম্পন্ন কৰা প্ৰমাণীকৰণৰ সকলো বিৱৰণ লাভ কৰিব পাৰে৷ এই সেৱাৰ বাবে অ'টিপি আপোনাৰ পঞ্জীকৃত ম'বাইল নম্বৰলৈ প্ৰেৰণ কৰা হ'ব৷

আধাৰ প্ৰমাণীকৰণ ইতিহাসৰ বিষয়ে অধিক জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/305-faqs/aadhaar-online-services/aadhaar-authentication-history.html

- **বায়'মেট্ৰিক লক/আনলক:** এই সেৱাই আপোনাৰ আধাৰত বায়'মেট্ৰিকত অস্থায়ীভাৱে লক আৰু আনলকৰ সুবিধা প্ৰদান কৰিব৷ এই সেৱাৰ বাবে অ'টিপি আপোনাৰ পঞ্জীকৃত ম'বাইল নম্বৰলৈ প্ৰেৰণ কৰা হ'ব৷

বায়'মেট্ৰিক লক/আনলকৰ বিষয়ে অধিক জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/925-faqs/aadhaar-online-services/biometric-lock-unlock.html

- **আধাৰ লক/আনলক:** যদি আপুনি আপোনাৰ আধাৰ ব্যৱহাৰ কৰিবলৈ নিবিচাৰে তেন্তে আপোনাৰ আধাৰ লক কৰিব পাৰে৷ ইয়াৰ ফলত আপুনি আধাৰ, ভিআইডি আৰু বায়'মেট্ৰিকৰ এএনচিএছ টোকেন, ডেম'গ্ৰাফিক আৰু অ'টিপিযুক্ত প্ৰমাণীকৰণ ব্যৱহাৰ কৰি কোনো ধৰণৰ প্ৰমাণীকৰণৰ কাৰ্য সম্পন্ন কৰিব নোৱাৰিব৷ ভিআইডিৰ জৰিয়তে আধাৰ আনলক কৰিব পাৰি৷ এই সেৱাৰ বাবে অ'টিপি আপোনাৰ পঞ্জীকৃত ম'বাইল নম্বৰলৈ প্ৰেৰণ কৰা হ'ব৷

আধাৰ লক/আনলক সেৱাৰ বিষয়ে অধিক জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/1012-faqs/aadhaar-online-services/aadhaar-lock-unlock.html

- **অফলাইন ইকেৱাইচি সেৱা**: এই সেৱা ব্যৱহাৰ কৰি আপুনি কেৱাইচিৰ উদ্দেশ্যৰ বাবে ডিজিটেলি স্বাক্ষৰিত আধাৰ প্ৰস্তুত কৰিব পাৰে।

আধাৰৰ কাগজবিহীন অফলাইন ইকেৱাইচিৰ বিষয়ে অধিক জানিবলৈ: https://uidai.gov.in/contact-support/have-any-question/307-faqs/aadhaar-online-services/aadhaar-paperless-offline-e-kyc.html

## 10 অভিযোগ ব্যৱস্থাপনা

আপুনি আপোনাৰ উদ্বেগ অথবা প্ৰতিক্ৰিয়া বিনিময়ৰ বাবে ইউআইডিএআইয়ে বিভিন্ন টাচ্চ-পইণ্টৰ সৃষ্টি কৰিছে। এই সকলোবোৰ প্লেটফ'ৰ্ম অতি সহজেই উপলব্ধ আৰু ইউআইডিএআইৰ উৎসৰ্গীকৃত কেন্দ্ৰীয় দলৰ পৰা আপুনি অতি সহজেই এই সেৱাসমূহ লাভ কৰিব পাৰে।

### 10.1 আধাৰ সম্পৰ্ক কেন্দ্ৰ - হেল্পলাইন ১৯৪৭

আপুনি লেণ্ডলাইন অথবা ম'বাইল ফোন ব্যৱহাৰ কৰি টোল ফ্ৰী হেল্পলাইন ১৯৪৭ৰ পৰা আধাৰ কেয়াৰ কৰ্মকৰ্তাৰ সৈতে আইভিআৰএছ মোডত হিন্দী, তেলেগু, তামিল, কানাড়া, মালায়লম, পাঞ্জাৱী, মাৰাঠী, গুজৰাটী, বাংলা, উড়িয়া, অসমীয়া আৰু ইংৰাজীকে ধৰি ১২টা ভাষাত বাৰ্তালাপ কৰিব পাৰে।

### 10.2 ইমেইলৰ জৰিয়তে সহায়

আপুনি আপোনাৰ জিজ্ঞাসা/প্ৰতিক্ৰিয়া/পৰামৰ্শ অথবা কোনো অভিযোগ থাকিলে help@uidai.gov.in লৈ মেইল কৰিব পাৰে। এই সেৱা কণ্টেক চেণ্টাৰ প্ৰফেচনেলৰ দ্বাৰা পৰিচালিত হয়। ইয়াত থকা টিকেটিং ব্যৱস্থাই আপোনাক এটা আইডি প্ৰদান কৰিব যাৰ দ্বাৰা আপুনি আপোনাৰ অভিযোগৰ স্থিতি অনুসৰণ কৰিব পাৰিব।

### 10.3 আধাৰ ৱেবছাইট

আধাৰ ৱেবছাইট হ'ল আধাৰ সম্পৰ্কীয় সকলো তথ্যৰ একত্ৰিত লক্ষ্যস্থান। আপুনি ম'বাইল ফোন, ডেস্কটপ অথবা লেপটপৰ পৰা যিকোনো স্থানৰ পৰা www.uidai.gov.in ব্যৱহাৰ কৰিব পাৰে। ইয়াত নিম্নোক্ত ধৰণে তথ্যসমূহ প্ৰদান কৰা হয়:

- **মোৰ আধাৰৰ অংশ:** পঞ্জীয়ন/উন্নীতকৰণ প্ৰক্ৰিয়া, আধাৰ কেন্দ্ৰৰ অৱস্থান, প্ৰাক্ সাক্ষাৎকাৰ বুকিং, ই-আধাৰ ডাউনলোড, পঞ্জীয়ন/উন্নীতকৰণৰ পিছত আধাৰৰ স্থিতি পৰীক্ষণ, ইআইডি/ইউআইডিৰ পুনৰ উদ্ধাৰ, আধাৰ পুনৰ ছপাৰ অৰ্ডাৰ ইত্যাদি।
- **ইউআইডিএআইৰ অংশৰ বিষয়ে:** এই অংশটোত ইউআইডিএআইৰ বীক্ষণ, উদ্দেশ্য, সাংগাঁথনিক অৱয়ব, আইনী পৰিকাঠামো, নীতি আৰু নিয়ম, জাননী, কৰ্মৰ সুবিধা আদিৰ তথ্য প্ৰদান কৰা হয়। https://uidai.gov.in/about-uidai.html
- **পৰিবেশতন্ত্ৰৰ অংশ:** প্ৰমাণীকৰণ ডিভাইচ, বায়'মেট্ৰিক ডিভাইচ, প্ৰমাণীকৰণ তথ্য, কিউআৰ কোড ৰীডাৰ আৰু কাগজবিহীন ই-কেৱাইচিৰ তথ্য এই অংশটোত পোৱা যায় https://uidai.gov.in/ecosystem.html
- **যোগাযোগ আৰু সমৰ্থন অংশ:** ইয়াত আপুনি ইউআইডিএআইৰ ডাইৰেক্টৰী আৰু সংশ্লিষ্ট আঞ্চলিক কাৰ্যালয় তথা অভিযোগ শাখাৰ নিবাৰণ আদিৰ তথ্য লাভ কৰিব। https://uidai.gov.in/contact-support.html

আপুনি ৱেবছাইটটোত অন্য বিভিন্ন সেৱাও লাভ কৰিব। ইয়াত আপুনি ইউআইডিএআই দলৰ যোগাযোগৰ সবিশেষ লাভ কৰিব। এই ৱেবছাইটটোত আধাৰৰ প্ৰক্ৰিয়া আৰু সেৱা সম্বন্ধীয় প্ৰশ্নসমূহৰ উত্তৰ দিব পৰাকৈ সঘনাই সোধা প্ৰশ্ন (এফএকিউ)ৰ এটা শিতানো আছে।

বক্স বাৰ্তা: যিকোনো ধৰণৰ অভিযোগৰ বাবে আপুনি অনলাইনযোগে অভিযোগ দাখিল কৰিব পাৰে: https://resident.uidai.gov.in/file-complaint আৰু আপোনাৰ অভিযোগৰ স্থিতিও পৰীক্ষণ কৰিব পাৰে: https://resident.uidai.gov.in/check-complaintstatus

## 10.4 আধাৰ চাটবট

ইউআইডিএআইয়ে আধাৰৰ ৱেবছাইটত চাটবটৰ সেৱা আৰম্ভ কৰিছে৷ আপুনি আপোনাৰ প্ৰশ্নসমূহ চাটবটৰ জৰিয়তে সুধিব পাৰে৷ আপুনি uidai.gov.in লৈ গৈ পৃষ্ঠাৰ সোঁহাতে তলৰ ফালে থকা 'আস্ক আধাৰ'ত ক্লিক কৰিলেই এই সুবিধা লাভ কৰিব পাৰিব৷ 'আস্ক আধাৰ' চাটবটে আপোনাৰ প্ৰশ্নৰ উপযুক্ত উত্তৰ তৎকালীনভাৱে প্ৰদান কৰিব৷ আপুনি নিজৰ প্ৰতিক্ৰিয়াও চাটবটত প্ৰকাশ কৰিব পাৰে৷

## 10.5 ছ'চিয়েল মিডিয়া

আজিৰ বিশ্বত ছ'চিয়েল মিডিয়া যোগাযোগৰ এক জনপ্ৰিয় মাধ্যম হিচাপে পৰিগণিত হৈ উঠিছে৷ আধাৰেও ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰৰ উপযোগিতা অনুধাৱন কৰি আধাৰৰ গৰাকীসকললৈ বিভিন্ন ধৰণৰ প্লেটফ'ৰ্মৰ সুবিধা প্ৰদান কৰিছে৷

### 10.5.1 চৰকাৰী ছ'চিয়েল মিডিয়া প্ৰ'ফাইল:

আপুনি নিম্নোক্তসমূহৰ পৰা ইউআইডিএআইৰ ছ'চিয়েল মিডিয়াৰ প্লেটফ'ৰ্ম লাভ কৰিব:

#### *10.5.1.1 টুইটাৰ:*

ইউআইডিএআইৰ নিম্নোক্ত টুইটাৰ হেণ্ডেলসমূহ আছে:

**ৰাষ্ট্ৰীয় পৰ্যায়ৰ:**

- @Aadhaar_Care (https://twitter.com/Aadhaar_Care) – আধাৰৰ চৰকাৰী গ্ৰাহক সেৱাৰ হেণ্ডেল
- @UIDAI (https://twitter.com/UIDAI) – আধাৰ সম্পৰ্কীয় সকলো তথ্যৰ হেণ্ডেল
- @ceo_uidai (https://twitter.com/ceo_uidai) – ইউআইডিএআইৰ চিইঅ'ৰ চৰকাৰী প্ৰ'ফাইল

**আঞ্চলিক পৰ্যায়ৰ:**

- @UIDAIChandigarh (https://twitter.com/UIDAIChandigarh) – চণ্ডীগড় আঞ্চলিক কাৰ্যালয়ৰ চৰকাৰী টুইটাৰ একাউণ্ট৷ চণ্ডীগড়, জম্মু-কাশ্মীৰ, লাডাখ, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু পাঞ্জাৱৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে৷
- @UIDAIDelhi (https://twitter.com/UIDAIDelhi) – দিল্লী আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট৷ নতুন দিল্লী, মধ্য প্ৰদেশ, ৰাজস্থান অথবা উত্তৰাখণ্ড অঞ্চলৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে৷
- @UIDAIMumbai (https://twitter.com/UIDAIMumbai) - মুম্বাই আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট৷ মহাৰাষ্ট্ৰ, গুজৰাট, গোৱা, দমন আৰু ডিউ, দাদৰা আৰু নগৰ হাভেলী অঞ্চলৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে৷
- @UIDAIBengaluru (https://twitter.com/UIDAIBengaluru) - বেংগালুৰু আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট৷ কৰ্ণাটক, কেৰালা, তামিলনাডু, পুডুচেৰী আৰু লাক্ষাদ্বীপৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে৷
- @UIDAIHyderabad (https://twitter.com/UIDAIHyderabad) - হায়দৰাবাদ আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট৷ অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, ওড়িশা, চট্টিশগড় আৰু আন্দামান তথা নিকোবাৰ দ্বীপপুঞ্জৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে৷
- @UIDAIRanchi (https://twitter.com/UIDAIRanchi) - ৰাঁচীৰ আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট৷ ঝাৰখণ্ড, বিহাৰ আৰু পশ্চিমবংগ অঞ্চলৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে৷

- @UIDAILucknow (https://twitter.com/UIDAILucknow) - লক্ষ্ণৌৰ আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট। উত্তৰ প্ৰদেশৰ অঞ্চলৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে।
- @UIDAIGuwahati (https://twitter.com/UIDAIGuwahati) - গুৱাহাটীৰ আঞ্চলিক কাৰ্যালয়ৰ টুইটাৰ একাউণ্ট। অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু ছিক্কিমৰ লোকে তেওঁলোকৰ প্ৰশ্নসমূহৰ বাবে এই একাউণ্টত যোগাযোগ কৰিব পাৰে।

আপোনালোকে ইউআইডিএআইৰ সৈতে প্ৰত্যক্ষ টুইট অথবা বাৰ্তাৰ দ্বাৰাও যোগাযোগ কৰিব পাৰে। আমাৰ ছ'চিয়েল মিডিয়া অভিযোগ ব্যৱস্থাপকৰ দলে আপোনাক সহায় কৰিব।

#### *10.5.1.2 ফে'চবুক:*

ইউআইডিএআইৰ কেৱল এখন চৰকাৰী ফে'চবুক পৃষ্ঠা আছে - www.facebook.com/AadhaarOfficialত আপুনি ফে'চবুকত @AadhaarOfficial সন্ধান কৰিব পাৰে আৰু লাইক তথা অনুসৰণ কৰিব পাৰে। বিশেষ জিজ্ঞাসাৰ বাবে আপুনি আমালৈ ব্যক্তিগত বাৰ্তা অথবা আমাৰ পোষ্টত মন্তব্য প্ৰদান কৰিব পাৰে।

#### *10.5.1.3 ইউটিউব:*

আধাৰৰ চৰকাৰী ইউটিউব চেনেল https://www.youtube.com/user/AadhaarUID ত উপলব্ধ। এই চেনেলটোত আধাৰ সম্বন্ধীয় সকলো অনলাইন সেৱাৰ টিউটৰিয়েল ভিডিঅ', আধাৰ সম্বন্ধীয় তথ্যৰ ভিডিঅ', আমাৰ সকলো টিভি বিজ্ঞাপন, বিশেষ বাৰ্তা, বাতৰি আদি ইয়াত উপলব্ধ। আমাৰ ভিডিঅ' সন্দৰ্ভত আপুনি মন্তব্য অথবা প্ৰতিক্ৰিয়াও প্ৰদান কৰিব পাৰে।

#### *10.5.1.4 ইনষ্টাগ্ৰাম:*

ইউআইডিএআইয়ে শেহতীয়াকৈ ইনষ্টাগ্ৰামত আধাৰৰ এটা একাউণ্ট মুকলি কৰিছে। আপোনালোকে আমাক @**aadhaar_official** (https://instagram.com/aadhaar_official) ত অনুসৰণ কৰিব পাৰে। কোনো বিশেষ জিজ্ঞাসাৰ বাবে আপোনালোকে আমালৈ প্ৰত্যক্ষ বাৰ্তা প্ৰেৰণ কৰিব পাৰে আৰু আমাৰ দলে তাৰ উত্তৰ প্ৰদান কৰিব।

#### *10.5.1.5 লিংকডইন:*

ইউআইডিএআইৰ চৰকাৰী লিংকডইন পৃষ্ঠাটো হ'ল https://www.linkedin.com/company/unique-identification-authority-of-india-uidai-. এই প্ৰ'ফাইলত আমি আধাৰ সম্বন্ধীয় সংবাদসমূহ বিনিময় কৰো।

### 10.5.2 নকল প্ৰ'ফাইল/ব্যৱহাৰকাৰীৰ একাউণ্টৰ পৰা সাৱধান

ইউআইডিএআইৰ সকলো চৰকাৰী ছ'চিয়েল মিডিয়া প্ৰ'ফাইল বৈধ আৰু আপোনাক কেৱল চৰকাৰী একাউণ্টসমূহহে অনুসৰণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। নকল প্ৰ'ফাইলত বিশ্বাস নকৰিব। আধাৰ অথবা ইউআইডিএআইৰ অন্য যিকোনো ছ'চিয়েল মিডিয়া একাউণ্টত আপোনাৰ তথ্য বিনিময় নকৰিব।
অনুগ্ৰহ কৰি মন কৰিব যে কোনো ব্যক্তিয়ে যদি তেওঁৰ কৰ্মস্থান হিচাপে আধাৰৰ চৰকাৰী প্ৰ'ফাইল উল্লেখ কৰিছে তেন্তে ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁ ইউআইডিএআইৰ কৰ্মচাৰী। অনুগ্ৰহ কৰি uidai.gov.inত ব্যক্তিজনৰ যোগাযোগ ডিৰেক্টৰী নিশ্চিত কৰি ল'ব।

## 10.6 আধাৰৰ আঞ্চলিক কাৰ্যালয়

ইউআইডিএআইৰ সংশ্লিষ্ট ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত প্ৰদেশসমূহত ৮টা আঞ্চলিক কাৰ্যালয় স্থাপন কৰিছে। প্ৰতিটো আঞ্চলিক কাৰ্যালয়ৰ নিজৰ অঞ্চল সাপেক্ষে অধিক্ষেত্ৰ আছে আৰু তেওঁলোকে সেই অঞ্চলটোৰ সেৱা তথা অভিযোগসমূহ নিষ্পত্তি কৰে। আঞ্চলিক কাৰ্যালয়ৰ যোগাযোগ বিৱৰণ https://uidai.gov.in/contact-support/contact-directory/regional-offices.html ত উপলব্ধ।
৮টা আঞ্চলিক কাৰ্যালয় নিম্নোক্ত স্থানসমূহত অৱস্থিত:

- **নতুন দিল্লী** – নতুন দিল্লী, মধ্য প্ৰদেশ, ৰাজস্থান অথবা উত্তৰাখণ্ডক সামৰি লয়।
- **বেংগালুৰু, কৰ্ণাটক** – কৰ্ণাটক, কেৰালা, তামিলনাডু, পুডুচেৰী আৰু লাক্ষাদ্বীপক সামৰি লয়।
- **চণ্ডীগড়-** – চণ্ডীগড়, জম্মু-কাশ্মীৰ, লাডাখ, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু পাঞ্জাৱক সামৰি লয়।
- **মুম্বাই, মহাৰাষ্ট্ৰ** – মহাৰাষ্ট্ৰ, গুজৰাট, গোৱা, দমন আৰু ডিউ, দাদৰা আৰু নগৰ হাভেলীক সামৰি লয়।
- **ৰাঁচী, ঝাৰখণ্ড** – ঝাৰখণ্ড, বিহাৰ আৰু পশ্চিমবংগক সামৰি লয়।
- **গুৱাহাটী, অসম** – অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু ছিক্কিমক সামৰি লয়।
- **লক্ষ্নৌ, উত্তৰ প্ৰদেশ** – উত্তৰ প্ৰদেশক সামৰি লয়।
- **হায়দৰাবাদ, তেলেংগানা** – অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, ওড়িশা, চট্টিশগড় আৰু আন্দামান তথা নিকোবাৰ দ্বীপপুঞ্জক সামৰি লয়।

আঞ্চলিক কাৰ্যালয়সমূহৰ যোগাযোগৰ বিৱৰণৰ বাবে: https://uidai.gov.in/contact-support/contact-directory/regional-offices.html

## 11 আধাৰ আইন ২০১৬

ইউআইডিএআই হ'ল ২৬ মাৰ্চ ২০১৬ তাৰিখে চৰকাৰী গেজেটত প্ৰকাশিত আধাৰ আইন , ২০১৬ (বিত্তীয় আৰু অন্যান্য সাহায্য, লাভ আৰু সেৱাসমূহ প্ৰদানৰ বাবে নিৰ্ধাৰিত)ৰ অধীনত স্থাপিত হোৱা এক স্বায়ত্ব সংস্থা।
ইউআইডিএআই এক প্ৰাধিকৰণ হিচাপে ১২ জুলাই ২০১৬ তাৰিখে ঘোষিত হৈছিল। ২১ জুলাই ২০১৬ চনত ড° এ বি পাণ্ডে প্ৰথমজন চিইঅ' হিচাপে নিযুক্ত হৈছিল। ১২ ছেপ্টেম্বৰ ২০১৬ তাৰিখে অধ্যক্ষ আৰু প্ৰাধিকৰণৰ সদস্যসকলক নিযুক্ত দিয়া হৈছিল। অংশ ২১ক বাদ দি আধাৰ আইনৰ আন সকলো অংশ সেই দিনাই প্ৰকাশ কৰা হৈছিল।

১৪ ছেপ্টেম্বৰ ২০১৬ তাৰিখে নিম্নোক্ত নিয়ামকসমূহ প্ৰকাশ কৰা হৈছিলঃ

- ভাৰতীয় বিশিষ্ট পৰিচয় প্ৰাধিকৰণ (প্ৰাধিকৰণৰ বৈঠকত ব্যৱসায়ৰ লেনদেন) নিয়ামক, ২০১৬ (২০১৬ৰ ১ নং)
- আধাৰ (পঞ্জীয়ন আৰু উন্নীতকৰণ) নিয়ামক, ২০১৬, (২০১৬ৰ ২ নং)
- আধাৰ (প্ৰমাণীকৰণ) নিয়ামক, ২০১৬ (২০১৬ৰ ৩ নং)
- আধাৰ (তথ্য সুৰক্ষা) নিয়ামক, ২০১৬, (২০১৬ৰ ৪ নং)
- আধাৰ (তথ্যৰ বিনিময়) নিয়ামক, ২০১৬ (২০১৬ৰ ৫ নং)

ভাৰতীয় বিশিষ্ট পৰিচয় প্ৰাধিকৰণে (ইউআইডিএআই) ভাৰত চৰকাৰৰ বৈদ্যুতিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনত এক স্বায়ত্ব সংস্থা হিচাপে কাম কৰে।

### 11.1 ইউআইডিএআইৰ দায়িত্বসমূহ

ইউআইডিএআইয়ে আধাৰ আইন ২০১৬ৰ অধীনত আধাৰ পঞ্জীয়ন আৰু উন্নীতকৰণৰ দায়িত্ব পালন কৰে। এই দায়িত্বসমূহ হ'ল:

- আধাৰৰ জীৱন চক্ৰৰ সকলো কাৰ্য আৰু ব্যৱস্থাপনা
- নীতি বিকাশ
- আবাসীক আধাৰ প্ৰদান কৰিবলৈ প্ৰক্ৰিয়া আৰু ব্যৱস্থাপনা
- প্ৰমাণীকৰণ দক্ষতা

## 12 আধাৰ (পঞ্জীয়ন আৰু উন্নীতকৰণ) নিয়ামক, ২০১৬

আপোনাৰ পঞ্জীয়ন আৰু উন্নীতকৰণ আধাৰ (পঞ্জীয়ন আৰু উন্নীতকৰণ)নিয়ামক, ২০১৬ৰ অধীনত সম্পন্ন হয়। আপোনাৰ সুবিধাৰ বাবে প্ৰত্যক্ষ প্ৰাসংগিকতাৰ নিয়ম তলত উল্লেখ কৰা হৈছে:

### 12.1 অধ্যায় ২ – আবাসীৰ পঞ্জীয়ন প্ৰক্ৰিয়া

**3.** পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় বায়'মেট্ৰিক তথ্য —

(1) নিম্নোক্ত বায়'মেট্ৰিক তথ্য প্ৰতিজন আবাসীৰ পঞ্জীয়নৰ বাবে সংগ্ৰহ কৰা হয় (৫ বছৰৰ তলৰ শিশুসকলৰ বাদে):

(i) মুখাৱয়বৰ চিত্ৰ;

(ii) দহোটা আঙুলিৰ চাপ; আৰু

(iii) দুয়োটা মণিবলয়ৰ স্কেন

(2) এই বায়'মেট্ৰিক তথ্য সংগ্ৰহৰ মানক এই উদ্দেশ্যত প্ৰাধিকৰণৰ দ্বাৰা নিৰ্ধাৰণ কৰা হ'ব।

**4.** পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় ডেম'গ্ৰাফিক তথ্য —

(1) নিম্নোক্ত ডেম'গ্ৰাফিক তথ্য প্ৰতিজন আবাসীৰ পঞ্জীয়নৰ বাবে সংগ্ৰহ কৰা হয় (৫ বছৰৰ তলৰ শিশুসকলৰ বাদে):

(i) নাম

(ii) জন্মৰ তাৰিখ

(iii) লিংগ

(iv) আবাসীৰ ঠিকনা

(2) নিম্নোক্ত ডেম'গ্ৰাফিক তথ্য অতিৰিক্তভাৱে পঞ্জীয়নৰ সময়ত সংগ্ৰহ কৰা হ'ব পাৰে আৰু এয়া বৈকল্পিক হ'ব পাৰে:

(i) ম'বাইল নম্বৰ

(ii) ইমেইল ঠিকনা

(3) পৰিচায়কভিত্তিত পঞ্জীয়নৰ বাবে নিম্নোক্ত তথ্যসমূহ সংগ্ৰহ কৰা হ'ব পাৰে:

(i) পৰিচায়কৰ নাম

(ii) পৰিচায়কৰ আধাৰ নম্বৰ

(4) পৰিয়ালৰ মুৰব্বীৰ ভিত্তিত পঞ্জীয়নৰ ক্ষেত্ৰত নিম্নোক্ত অতিৰিক্ত তথ্যসমূহ সংগ্ৰহ কৰা হ'ব পাৰে:

(i) পৰিয়ালৰ মুৰব্বীৰ নাম

(ii) সম্পৰ্ক

(iii) পৰিয়ালৰ মুৰব্বীৰ আধাৰ নম্বৰ

(iv) পৰিয়ালৰ মুৰব্বীৰ যিকোনো এটা বায়'মেট্ৰিক তথ্য

(5) ওপৰোক্ত ডেম'গ্ৰাফিক তথ্যসমূহ প্ৰাধিকৰণে এই উদ্দেশ্যে নিৰ্ধাৰিত কৰিব পাৰে।

(6) ডেম'গ্ৰাফিক তথ্যত আবাসীৰ বৰ্ণ, জাতি, ধৰ্ম, ভাষা, এনটাইটেলমেণ্টৰ তথ্য, উপাৰ্জন অথবা চিকিৎসাৰ ইতিহাস নাথাকে।

**5.** পাঁচ বছৰৰ তলৰ শিশুসকলৰ পঞ্জীয়নৰ বাবে নিম্নোক্ত তথ্যসমূহৰ প্ৰয়োজন —

(1) পাঁচ বছৰৰ তলৰ শিশুসকলৰ বাবে নিম্নোক্ত ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্যসমূহ সংগ্ৰহ কৰা হয়:

(a) নাম

(b) জন্মৰ তাৰিখ

(c) লিংগ

(d) যিকোনো এজন অভিভাৱকৰ পঞ্জীয়ন আইডি অথবা আধাৰ নম্বৰ, যদি দুয়োগৰাকী অভিভাৱক জীয়াই থাকে তেন্তে মাকৰ আইডি গ্ৰহণ কৰা হয়। তেনে পিতৃ-মাতৃ অথবা অভিভাৱকৰ আধাৰ নম্বৰ অথবা ইআইডি বাধ্যতামূলক আৰু সম্পৰ্কৰ ক্ষেত্ৰটোও পূৰণ কৰা হয়।

(e) পিতৃ-মাতৃ/অভিভাৱকৰ ঠিকনাই সেই শিশুটোৰো ঠিকনা হয়।

(f) শিশুটিৰ মুখৰ আলোকচিত্ৰ গ্ৰহণ কৰা হয়। পঞ্জীয়নৰ সময়ত পিতৃ-মাতৃ/অভিভাৱকৰ বায়'মেট্ৰিক তথ্য গ্ৰহণ কৰা হয় অথবা প্ৰমাণীকৰণ কৰা হয়।

(2) পিতৃ-মাতৃ/অভিভাৱকৰ আৰু শিশুটিৰ সম্পৰ্কৰ প্ৰমাণ (পিঅ'আৰ) পঞ্জীয়নৰ সময়ত সংগ্ৰহ কৰা হয়। সেইসকল শিশুৰহে পঞ্জীয়ন কৰা হয় যাৰ নাম সম্পৰ্কৰ তথ্য (পিঅ'আৰ) ত উপলব্ধ হয়।

**6.** বায়'মেট্ৰিক ব্যতিক্ৰমৰ সৈতে আবাসীৰ পঞ্জীয়ন —

(1) যিসকল আবাসীয়ে বিভিন্ন কাৰণবশতঃ আঙুলিৰ চাপ প্ৰদান কৰিবলৈ অসমৰ্থ হয় তেওঁলোকৰ কেৱল মণিবলয়ৰ স্কেন সংগ্ৰহ কৰা হয়।

(2) যিসকল আবাসীয়ে বিভিন্ন কাৰণবশতঃ কোনো ধৰণৰ বায়'মেট্ৰিক তথ্য প্ৰদান কৰিবলৈ অসমৰ্থ হয় তেওঁলোকৰ বাবে প্ৰাধিকৰণে পঞ্জীয়ন আৰু উন্নীতকৰণ ছফ্টৱেৰত ব্যতিক্ৰমী ব্যৱস্থাপনা প্ৰদান কৰে যি এই উদ্দেশ্য প্ৰাধিকৰণে নিৰ্ধাৰিত কৰিব পাৰে।

## 12.2 অধ্যায় ৪ – আবাসীৰ তথ্যৰ উন্নীতকৰণ

**16.** পৰিচয়ৰ তথ্যৰ উন্নীতকৰণৰ বাবে অনুৰোধ —

এজন আধাৰৰ গৰাকীয়ে তেওঁৰ ডেম'গ্ৰাফিক তথ্য অথবা বায়'মেট্ৰিক তথ্য  অংশ ৩১ত বৰ্ণিত আইনত উল্লিখিত উন্নীতকৰণ পদ্ধতি অনুসৰি পৰিৱৰ্তন কৰিব পাৰে।

**17.** শিশুৰ বাবে বাধ্যতামূলক উন্নীতকৰণ —

প্ৰাধিকৰণে শিশুৰ পাঁচ আৰু পোন্ধৰ বছৰ পূৰ্ণ হোৱাৰ পিছত বাধ্যতামূলক বায়'মেট্ৰিকৰ উন্নীতকৰণৰ তথ্য বিচাৰিব পাৰে।

**19.** আবাসীৰ তথ্যৰ উন্নীতকৰণৰ প্ৰক্ৰিয়াসমূহ —

চিআইডিআৰত আবাসীৰ তথ্যৰ উন্নীতকৰণৰ প্ৰক্ৰিয়াসমূহ নিম্নোক্ত ধৰণে পালন কৰা হয়-

(a) যিকোনো পঞ্জীয়ন কেন্দ্ৰত অপাৰেটৰ আৰু/অথবা ছুপাৰভাইজাৰৰ সহায়ত। আবাসীয়ে বায়'মেট্ৰিকভাৱে প্ৰমাণীকৃত হ'ব আৰু তেওঁ নিজৰ আধাৰ নম্বৰৰ সৈতে পৰিচয়ৰ তথ্য প্ৰদান কৰিবলগীয়া হ'ব পাৰে।

(b) অনলাইন পদ্ধতিঃ ডেম'গ্ৰাফিক তথ্য অনলাইন যোগে গ্ৰহণ উন্নীতকৰণ কৰা হ'ব পাৰে য'ত আধাৰ নম্বৰ আৰু পঞ্জীকৃত ম'বাইল নম্বৰ প্ৰদান কৰাটো আৱশ্যক হ'ব। প্ৰমাণীকৰণৰ বাবে পঞ্জীকৃত ম'বাইল নম্বৰলৈ ৱান টাইম পাছৱৰ্ড প্ৰেৰণ কৰা হ'ব।

আবাসীক এটা উন্নীতকৰণ আইডি স্থিতি অনুসৰণৰ বাবে প্ৰদান কৰা হ'ব আৰু আবাসীক সংশোধিত আধাৰ পত্ৰ কায়িকভাৱে অথবা বৈদ্যুতিক ৰূপত প্ৰদান কৰা হ'ব। উন্নীতকৰণৰ প্ৰক্ৰিয়া, মানক আৰু নিৰ্দেশনাসমূহ বিন্যাস, টেম্পলেট, চেকলিষ্ট উন্নীতকৰণৰ বাবে প্ৰাধিকৰণে নিৰ্ধাৰণ কৰি দিয়া উদ্দেশ্যে সম্পন্ন কৰা হ'ব।

**20.** উপযোগিতা মাচুল —

প্ৰাধিকৰণে আবাসীৰ পৰা এক উপযোগিতা মাচুল আদায় কৰিব পাৰে যি প্ৰাধিকৰণে ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য উন্নীতকৰণৰ বাবে নিৰ্ধাৰণ কৰি দিছে।

## 12.3 অধ্যায় ৬ – আধাৰ নম্বৰ আৰু পৰিচয় তথ্যৰ বিলুপ্তি অথবা নিষ্ক্ৰিয়কৰণ

**27.** আধাৰ নম্বৰ বিলুপ্তিৰ পৰিঘটনাসমূহ —

(1) আধাৰৰ গৰাকীৰ আধাৰ নম্বৰ নিম্নোক্ত কাৰণত বাতিল হ'ব পাৰে:—

(a) যদি এজন ব্যক্তিৰ নামত একাধিক আধাৰ নম্বৰ জাৰি হয় তেন্তে প্ৰথম আধাৰ নম্বৰটো থাকি যায় আৰু পিছৰ আধাৰ নম্বৰ কেইটা বাতিল হয়।

(b) য'ত নিৰ্দেশনা উলংঘন কৰি আধাৰ নম্বৰ প্ৰস্তুত কৰা হৈছে:—

(i) "ফটো অন ফটো" পৰিঘটনা য'ত ক'ৰ বায়'মেট্ৰিক তথ্য উপলব্ধ নহয়: য'ত পঞ্জীয়ন কেন্দ্ৰত নতুন আলোকচিত্ৰৰ পৰিৱৰ্তে বিদ্যমান আলোকচিত্ৰ ব্যৱহাৰ কৰা হৈছে, আৰু য'ত পঞ্জীয়নৰ সময়ত বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰা হোৱা নাই, তেনে আধাৰ নম্বৰ বাতিল কৰা হয়।

(ii) "ভুৱা বায়'মেট্ৰিক ব্যতিক্ৰম" পৰিঘটনা: য'ত পঞ্জীয়ন ভুলবশতঃ 'বায়'মেট্ৰিক ব্যতিক্ৰম' হিচাপে পঞ্জীকৃত হয়, তেনে আধাৰ নম্বৰ বাতিল হয়।

(iii) য'ত এজন প্ৰাপ্তবয়স্কই বায়'মেট্ৰিক তথ্য প্ৰদান নকৰিবলৈ পাঁচ বছৰৰ তলৰ শিশু হিচাপে পঞ্জীকৃত হয়, তেনে আধাৰ নম্বৰ বাতিল হয়।

(iv) প্ৰাধিকৰণক ভুৱা তথ্য প্ৰদান কৰা আন যিকোনো কাৰণত আধাৰ বাতিল হ'ব পাৰে।

(2) বাতিল হোৱাৰ ক্ষেত্ৰত আধাৰৰ গৰাকীক প্ৰাধিকৰণে প্ৰদান কৰা সেৱাসমূহ স্থায়ীভাৱে নিষ্ক্ৰিয় হ'ব পাৰে।

**28.** আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰাৰ পৰিঘটনাৰ ক্ষেত্ৰত —

(1) আধাৰ গৰাকীৰ নিম্নোক্ত কাৰণত আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰা হ'ব পাৰে:

(a) "ফটো অন ফটো" পৰিঘটনা য'ত ক'ৰ বায়'মেট্ৰিক তথ্য উপলব্ধ হয়: য'ত পঞ্জীয়ন কেন্দ্ৰত নতুন আলোকচিত্ৰৰ পৰিৱৰ্তে বিদ্যমান আলোকচিত্ৰ ব্যৱহাৰ কৰা হৈছে, আৰু য'ত পঞ্জীয়নৰ সময়ত বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰা হোৱা হৈছে, তেনে আধাৰ নম্বৰ নিষ্ক্ৰিয় হ'ব পাৰে আৰু সেই আধাৰ নম্বৰ পুনৰ সক্ৰিয়ও কৰিব পাৰি।

(b) "ভুৱা আংশিক বায়'মেট্ৰিক ব্যতিক্ৰম" পৰিঘটনাসমূহ: আবাসীয়ে বায়'মেট্ৰিক প্ৰদান কৰিব পৰা অৱস্থাত থাকিলেও কোনো কাৰণবশতঃ যদি বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰা হোৱা নাই, তেনে ক্ষেত্ৰত আধাৰ নম্বৰ নিষ্ক্ৰিয় হ'ব পাৰে।

(c) যদি পিছলৈ এয়া অনুধাৱন হয় যে পঞ্জীয়নৰ সময়ত বৈধ নথিপত্ৰ জমা হোৱা নাছিল তেতিয়া আধাৰৰ গৰাকীয়ে উপযুক্ত নথিপত্ৰ জমা নকৰা পৰ্যন্ত আধাৰ নম্বৰ নিষ্ক্ৰিয় হৈ থাকিব পাৰে।

(d) য'ত তথ্যসমূহ 'বেয়া তথ্য' হিচাপে চিহ্নিত কৰা হয় আৰু য'ত উন্নীতকৰণৰ প্ৰয়োজন (যেনে মিশ্ৰিত/নিয়মবিৰুদ্ধ বায়'মেট্ৰিক তথ্য, অসংগত শব্দ আৰু অবৈধানিক ভাষাৰ ব্যৱহাৰ, উৰফে ব্যৱহাৰ কৰি একাধিক নাম), তেনে আধাৰ আধাৰৰ গৰাকীয়ে উন্নীতকৰণ নকৰা পৰ্যন্ত নিষ্ক্ৰিয় হৈ থাকে।

(e) যদি এটা শিশুৱে পাঁচ অথবা পোন্ধৰ বছৰ পূৰ্ণ কৰিছে আৰু বয়স প্ৰাপ্তিৰ দুবছৰৰ ভিতৰত বায়'মেট্ৰিক তথ্য উন্নীতকৰণ কৰা নাই তেন্তে সেই শিশুৰ আধাৰ নম্বৰ নিষ্ক্ৰিয় হ'ব পাৰে। তেনে ক্ষেত্ৰত নিষ্ক্ৰিয় হোৱাৰ এবছৰৰ ভিতৰত যদি তথ্যৰ উন্নীতকৰণ কৰা নহয়, তেন্তে সেই আধাৰ নম্বৰ বিলুপ্ত কৰা হ'ব পাৰে।

(f) প্ৰাধিকৰণে অনুভূত কৰা যিকোনো নিষ্ক্ৰিয়কৰণৰ পৰিঘটনা।

(2) নিষ্ক্ৰিয়কৰণৰ ক্ষেত্ৰত আধাৰ নম্বৰৰ গৰাকীয়ে নিৰ্ধাৰিত তথ্য জমা নকৰা পৰ্যন্ত সাময়িকভাৱে সেই আধাৰ নম্বৰ নিষ্ক্ৰিয় হৈ থাকিব পাৰে।

**29.** বিলুপ্তকৰণ অথবা নিষ্ক্ৰিয়কৰণৰ ক্ষেত্ৰত আৱশ্যক হোৱা অনুসন্ধান—

(1) যিকোনো ক্ষেত্ৰত বিলুপ্ত অথবা নিষ্ক্ৰিয়তাৰ আৱশ্যকতা সম্পৰ্কীয় বিষয়ক প্ৰতিবেদিত কৰা য'ত ক্ষেত্ৰীয় অনুসন্ধানৰ আৱশক্যতা হ'ব পাৰে, য'ত সেই লোকসকলৰ শুনানি অন্তৰ্ভুক্ত হ'ব পাৰে যাৰ আধাৰ নম্বৰ বিলুপ্তি অথবা নিষ্ক্ৰিয় কৰাৰ আৱশ্যকতা হ'ব পাৰে।

(2) প্ৰাধিকৰণে অনুমোদন প্ৰদান কৰা যিকোনো এজেন্সীয়ে পৰীক্ষণ/অনুসন্ধান কৰিব পাৰে আৰু এই উদ্দেশ্য প্ৰাধিকৰণে নিৰ্ধাৰিত কৰা প্ৰক্ৰিয়া অনুসৰি প্ৰাধিকৰণক প্ৰতিবেদন দাখিল কৰিব পাৰে।

(3) তেনে প্ৰতিবেদন লাভ কৰাৰ পিছত প্ৰাধিকৰণে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু আধাৰ নম্বৰৰ বিলুপ্তি অথবা নিষ্ক্ৰিয়কৰণ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

**30.** আধাৰ নম্বৰৰ গৰাকীলৈ যোগাযোগ —

(1) আধাৰ নম্বৰ বিলুপ্ত অথবা নিষ্ক্ৰিয়কৰণৰ ক্ষেত্ৰত আধাৰৰ গৰাকীক এছএমএছ, পঞ্জীকৃত মেইল আইডিলৈ ইমেইল, টেলি কলিং, পত্ৰৰ জৰিয়তে প্ৰাধিকৰণে অৱগত কৰে৷

(2) তেনে আধাৰ নম্বৰ বিলুপ্ত অথবা নিষ্ক্ৰিয়কৰণৰ ক্ষেত্ৰত আধাৰৰ গৰাকীয়ে অভিযোগ দাখিল কৰিব পাৰে আৰু সেয়া প্ৰাধিকৰণে নিৰ্ধাৰণ কৰা অভিযোগ নিষ্পত্তি শাখাৰ জৰিয়তে নিবাৰণ কৰা হয়৷

**31.** সংশোধনী কাৰ্য —

(1) একাধিক আধাৰ নম্বৰ জাৰি কৰা কাৰণৰ বাহিৰে অন্য কাৰণত আধাৰ নম্বৰ বিলুপ্তিৰ ক্ষেত্ৰত আবাসীয়ে পুনৰ পঞ্জীকৃত হোৱাটো আৱশ্যক৷

(2) নিষ্ক্ৰিয়কৰণৰ ক্ষেত্ৰত আবাসীয়ে তেওঁৰ প্ৰাধিকৰণে বান্ধি দিয়া নীতি আৰু নিৰ্দেশনা অনুসৰি তেওঁৰ পৰিচয়ৰ তথ্য আংশিকভাৱে অথবা সম্পূৰ্ণ ৰূপত প্ৰদান কৰাটো আৱশ্যক৷

# 13 পৰিশিষ্ট

## 13.1 পৰিশিষ্ট ১ – বৈধ সমৰ্থিত নথিপত্ৰৰ তালিকা

## 13.2 পৰিশিষ্ট ২ – আধাৰ পঞ্জীয়ন/উন্নীতকৰণৰ স্বীকৃতিপত্ৰৰ বিন্যাস

## 13.3 পৰিশিষ্ট ৩ – পঞ্জীয়ন আবেদন

## 13.4 আধাৰৰ টিউটৰিয়েল ভিডিঅ’

## 13.5 আধাৰৰ অনলাইন সেৱাসমূহ

## 13.6 ছ’চিয়েল মিডিয়াত আধাৰ

যিকোনো মন্তব্য/প্ৰতিক্ৰিয়াৰ বাবে অনুগ্ৰহ কৰি আমালৈ লিখক: resident.handbook@uidai.net.in